

কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা

# সহস্ৰ কবিৰ
# সহস্ৰ কবিতা

## চতুৰ্থ খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

# Sahasra kobir Sahasra kobita

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
হিতেশ গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

**সম্পাদনা সমিতি**

## মুখ্য সম্পাদক
হিতেশ গোস্বামী

## কাৰ্যবাহী সম্পাদক
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

## সন্মানীয় সম্পাদক মণ্ডলী
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
হিতেশ গোস্বামী

## সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

### সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইণি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

### সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণব দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**
**সহযোগী সম্পাদক**
অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**তুমি নাৰী** /অজিত দাস ১৫
**তেওঁ যে এটি কৱিতা** / নিৰ্মালী বৰা ১৬
**সাগৰ** /মঞ্জু খনিকৰ ১৭
**তোমাৰ অপেক্ষাত** / কাকলি শইকীয়া ১৮
**অভিনয়** / ভূমিকা লহকৰ ১৯
**ভাল পাওঁ** / ডেইজী আহমেদ ২০
**চুমিলাৰ বাবে এটুপি চকুলোঁ** / নিৰ্মালি ভট্টাচাৰ্য্য ২১
**কলাজ** / পাহাড়ী শইকীয়া ২২
**বিষাদৰ কবিতা** / কঙ্কণ শৰ্মা ২৩
**হেঁপাহৰ সপোন**/ জ্যোৎস্না শইকীয়া ২৪
**ইতিহাস তুমি স্তব্ধ কিয়** / প্ৰেম বৈষ্ণৱ ২৬
**তুমি নাই** / দেবৰ্ষি গৌতম ২৭
**হালধীয়াত সেউজীয়া গান** / ললিত কুমাৰ বসুমতাৰী ২৮
**নেপথ্যত** / বশিষ্ঠ কলিতা ২৯
**সৰাপাত** / মৌচুমী ভৰালী শৰ্মা ৩০
**প্ৰত্যাশিত** / অন্তৰা ভট্টাচাৰ্য্য ৩১
**জীৱন** / গীৰিণ বড়া ৩২
**তোমালৈ বৰ মনত পৰে** / সঞ্জীৱ বড়ো ৩৩
**পিতাই আৰু পথাৰ** / জিণ্টু চাংমাই ৩৫
**কোনো কালে নুশুকাবি জান** / যুৱৰাজ বাচকোটা ৩৬
**যৌৱন এটি নিশাৰ সপোন** / মিনু হাজৰিকা ৩৭
**ধন্য দেশ** / জহিৰুল ইছলাম ৩৮
**বিযুৰ ৰেখাই গতি সলালে** / বিশ্বজিত কছাৰী ৩৯
**আঘোণ** / সুৰজিৎ ভূএগ ৪০
**শীতৰ উম বিচাৰি** / প্ৰদীপ কুমাৰ দাস ৪১
**এজন প্ৰেমিকাৰ সন্ধানত** / অসমী গগৈ ৪২
**পথাৰখন** / অসীম জ্যোতি দাস ৪৪
**জেংৰাইমুখৰ ছোৱালীজনী** / মৃদাঙ্ক দিহিঙ্গীয়া ৪৬
**মা** / মোহাইমিনুৰ ৰহমান ৪৭
**দূৰত্ব** / অংগীতা দাস ৪৮
**বাট** / মৃদুল শৰ্মা ৪৯
**বাটৰুৱা** / হিৰামনি লাহন ৫০
**ভোগালী** / ড° ৰমেশ কুমাৰ কাকতি ৫১
**কুঁৱলিৰ কেনভাচ্** / বলো ৰাম শইকীয়া ৫২
**জীৱন দৰ্শন** / আম চাউখ্য চাখাপ ৰেইংকেন৫৩
**আশাৰ বালিঘৰ** / সুৰজিত বৰুৱা ৫৫
**অনুভৱৰ এমুঠি শব্দ** / প্ৰিয়ংকা ভৰদ্বাজ ৫৬
**কথা আছিল** / লিংকন কলিতা ৫৭
**বিদায়** / প্ৰত্যুষ ডেকা ৫৮
**শিক্ষিত নিবনুৱা** / ঋণুমী তালুকদাৰ ৫৯
**বিস্ফোৰণ** / ছায়াৰাণী কটকী ৬০
**সমাপ্তি ক'ত** / পূৰবী প্ৰিয়দৰ্শনী ৬১
**আঘোণৰ বেলি** / ইভা হাজৰিকা ৬২
**শিলান্যাস** / হেমেন হাজৰিকা ৬৪
**অসীম সাধনা** / দীপিকা দেৱী কলিতা ৬৫
**নীৰৱতা**/ জিণ্টুমণি ৬৬
**আধা পুৰা কলিজাৰ বিলাপ** / বুদ্ধদেৱ দেউৰী৬৭
**কাষলে চপাই দিয়া নাও**/ ৰূপালী মহন্ত ৬৮
**আচাৰ বোৰো স্মৃতি** / অজয় বৰুৱা ৬৯
**নাৰী তুমি বিভুষিতা** / পৰাগ প্ৰিয়ম ৭১
**শংকৰদেৱ** / পুতুলী ঠাকুৰীয়া মেধী ৭২
**তল সৰা পাত**/ চুমি ৰহমান ৭৩
**মাথোঁ এবাৰ** / বৰষা গগৈ ৭৫
**আঁউসী** / পৰিহাৰ শৰ্মা ৭৬
**তিনিটা কৱিতা**/ চাহিদুল ইছলাম ৭৭
**লখিমী** / জিন্টু বৰপূজাৰী ৭৮
**'য'ত আমি এৰি থৈ আহিলোঁ নিজক'** / জ্যোতিনীলিমা গগৈ ৭৯
**নিমখীয়া পদ্য** / মৌচুমী হাতীবৰুৱা ৮০
**সেমেকা মেজিৰ গোন্ধ** / কাব্যশ্ৰী বৰপাত্ৰ ৮১

**স্পৰ্শ** / কৌশিক বাস্যস ৮২
**তোমাৰ কবিতা পঢ়িলোঁ** / নীলিম কুমাৰ ৮৩
**ভাল পোৱাৰ বিনিময়ত** / জোনমনি বৰা ৮৫
**হৃদয়ৰ বিননি** / ডিম্পী ডেকা ৮৬
**নীলাঞ্জনা** / জয়শ্ৰী চক্ৰৱৰ্ত্তী ৮৭
**প্ৰিয়জন যদি কবি হয়** / বুলু বৈশ্য ডেকা ৮৮
**বিষাদৰ সাগৰ** / মাণিক পাল ৮৯
**মুখা** / ইমামুল হক ৯০
**তোমাৰ স্মৃতি সুঁৱৰি নিলিখোঁ মই**/
ৰাহুল দাস ৯১
**সময়ৰ আহ্বান** / গীতাৰাণী পাঠক দাস ৯২
**তুমি এটি মিঠা অনুভৱ** / বন্তি দেৱী ৯৪
**সৰ্প** / দুলাল বৰা ৯৫
**সপোন সপোন লাগে** / কনমনি নাথ ৯৬
**দুৰ্দান্ত প্ৰেমিক মই** / অমিয় নাথ ৯৭
**জীৱন এনেকৈয়ে ...**/ নীলাঞ্জনা পাচনি ৯৮
**অপেক্ষা** / পূৰৱী দেৱী ৯৯
**আজি মোৰ মৃত্যু হ'ব** / দিব্যজ্যোতি কলিতা ১০০
**মা মাতাল কিয় ?** / ৰজনী কান্ত দাস ১০১
**চাকনৈয়া** / পৰাগ দাস ১০২
**মই পোহৰতো দেখিছোঁ এন্ধাৰ**
/ সুশীল মালী ১০৩
**পিঞ্জৰাবদ্ধ** / মালবিকা শৰ্মা ১০৫
**ট্ৰিলাজ** / তুলিকা দেৱী ১০৬
**হৃদয়ৰ অভিব্যক্তি** / বিতুমণি ফুকন ১০৭
**এন্ধাৰ**/ মনিকা দেৱী ১০৮
**উৰণীয়া পক্ষী** / প্ৰতিভা বৰ্মন ১০৯
**অৱধূত** / ৰাজেন শৰ্মা ১১০
**কুঠাৰ**/ তীৰ্থমণি ডেকা ১১১
**জৰুৰী নহয়** /ৰুমী মেধি ১১২

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

***শ্ৰদ্ধা আৰু ভক্তিৰে***

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীব বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে 'কবিতা'। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টীয়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ ***জয়তু ভাষা জননী*** ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**
**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# তুমি নাৰী

অজিত দাস
মিৰ্জা, কামৰূপ

তুমি নাৰী
তোমাৰ সপোন
সঁচাই আধুৰি।
দিনৰ দিনটো
কামেই কাম
নাই আহৰি!
সেয়েহে তুমি নাৰী

কাউৰীজনীৰ
কা কা মাতত
তোমাৰ চকুৰ
পতা খোলে,
দিনটোৰ বাবে
জীৱন সংগ্ৰামৰ
সঁচাই সদায়
পাতনি মেলে
তথাপিও তুমি সুখী
সেয়েহে তুমি নাৰী

পুৱাৰ বাহি চোতাল
তোমাৰে হাতেৰেই
চিকুণ আৰু পবিত্ৰ,
আৰু স্নানৰ শেষত
খোলা মন্দিৰৰ দুৱাৰ
সেয়াই তোমাৰ চৰিত্ৰ
তুমিয়েই ঘৰৰ লখিমী
সেয়েহে তুমি নাৰী
তথাপিও কিয়
পদে পদে দোষ
নহয় জীৱন সলনি,
সঁচাই তুমি নাৰী
কালজয়ী ৰূপহী

ধৰ্মৰ বেউলা সতী
সেয়েহে তুমি নাৰী
অতিথিক প্ৰণাম
তোমাৰ কাম
শাহু শহুৰৰ
অনামি নাম
তুমি বোৱাৰী
সঁচাই তুমি কান্তি
সেয়েহে তুমি নাৰী
পুত্ৰ কন্যাৰ
আদৰৰ মা'
সময় মতে
খুৱাই যা,
তোমাৰ নভৰিলে
নভৰক পেট
মাতিলেই দিবা
মৰমৰ মাত
তুমি লক্ষ্মী
সেয়েহে তুমি নাৰী
স্বামীৰ কথা
নক' লেও হ'ব
যেতিয়াই যি লাগে
জোৰ কৰি ল'ব,
কেতিয়াবা নিদিয়ে
মৰমৰ মাত
আনন্দতো নাহাঁহে
নিকটাই দাঁত
তথাপিও তুমি
থাকা সহি
সেয়েহে তুমি নাৰী

# তেওঁ যে এটি কবিতা

নিৰ্মালী বৰা
তুলসীমুখ নগাওঁ

মোৰ হৃদয়ৰ এন্ধেৰুৱা অৰণ্যলৈ
তেওঁ হয়তো বাট ভুল কৰি আহিল
অভ্যাসৱশতঃ প্ৰতিশ্ৰুতি দিলে
অনভ্যস্ত দুখৰ পঙ্কিলতাত খোজ থ'বলৈ মোৰে স'তে...
সহানুভূতিৰ হাত ধৰি ময়ো দিলো— বিশ্বাসবোৰ... !
তেওঁ বোধকৰোঁ দেখিছে !
যন্ত্ৰণাত নীলা হোৱা মোৰ দুচকুত সী থোৱা
বহু উজাগৰ ৰাতিৰ হিচাব
চকুৰ মণিত জ্বলা এখন মৰুৰ তৃষ্ণা
আৰু
অনুভৱৰ স্তুপত পঁৰা খাই শুই থকা
এজাক সপোনৰ শৱদেহ... !
উশাহত তিতা শব্দৰে হৃদয় ফলা বহু কবিতা পঢ়ি
চিঞৰি উঠিছে তেওঁ.....
স্মৃতিৰ চিতাত জ্বলাই দিয়া তোমাৰ অতীত
জীৱন মানেই যন্ত্ৰণাৰ কাৰাগাৰ নহয়... !
মৌন মই.....
কিমান সৰগী বাৰু তেওঁৰ অনুভৱ বোৰ... !
কি পাব মোৰ দুখৰ আয়তন যুকিয়াই
নাজানো মই !
মোৰ অনুভৱী মনৰ ডৰিয়লিত অতিন্দ্ৰীয় প্ৰশান্তিৰে
ক্ৰমশঃ তেওঁ যে এটি কবিতা
অনুৰাগৰ পোছাক পিন্ধা
এটি সুকোমল অলংকাৰপূৰ্ণ কবিতা
মৃন্ময় পৃথিৱীত আকাশলংঘী অভিপ্সাৰে
যি চিৰকাল সেউজীয়া... ! !

# সাগৰ

মঞ্জু খনিকৰ
ৰূপাই চাইদিং, তিনিচুকীয়া

যোৱা ৰাতি সাগৰখন
বৈ আহিছিল মোৰ কাষলৈ।
আঁকিব খুজিছিল মহাসমুদ্ৰৰ
জলেৰে
হৃদয়ত এখন স্থায়ী ছবি।

সাগৰখনেতো নাজানে...
আকাশৰ কজলা ৰঙৰ কথা,
আকাশ ডুবা তমসা নিশাত
সাগৰে অকাতৰে আলিংগন
কৰে ভয়ংকৰ ধুমুহা।

লুণীয়া সাগৰৰ উৰ্মিমালাত
ওৰে ৰাতি এক প্ৰাচীন শিহৰণত
মহাসমুদ্ৰৰ মাজতো তৃষ্ণাতুৰ মই।
সাগৰখনে কেনেকৈ বুজিব
নদীৰ নীলা ৰংবোৰে
কিমান বিশ্বাসেৰে আলিংগন কৰে।

সাগৰৰ বিশালতাই যেতিয়া
মনৰ পৰিধি ভাঙে
তেতিয়াই হেঁপাহৰ আঁচলত ধৰি
ক্ৰমাৎ উদং হৈ পৰে
হৃদয়ৰ বিচ্ছিন্ন মন ।
স্মৃতিৰো বিষাদ গাথাবোৰ
বুকুত বান্ধি নদীখন বৈ যায়
সাগৰ অভিমুখে একা-বেকাকৈ ।

কিবা এক অস্থিৰতাত
ডুলি থকা সাগৰৰ ঢৌবোৰ
ডুব যাব খোজে
হাঁহাঁকাৰ বুকুখনিৰ অজস্ৰ লহৰ ।
সাগৰখনে এৰি গলে
নদীখন বিষন্ন হ'ব,
আকাশখনো ভাগি-ছিগি প্ৰলয় হ'ব,
হৃদয়খন সময়ৰ বাটত
এলান্ধু হৈ ওলমি ৰ'ব।

# তোমাৰ অপেক্ষাত

কাকলি শইকীয়া
যোৰহাট

কি যে নিদাৰুণ সময়
এন্ধাৰে আৱৰি ৰাখিছে চৌদিশ
তোমাৰ পৰা মোলৈ
‘শত যোজন বাট!

কেনে আছা বাৰু তুমি?
ক’বলৈ থাকিল বহু কথা,
আশা বোৰ যেন মৰীচিকা
সপোনত বুৰি থাকে
জীৱনৰ প্ৰাপ্তিৰ হেঁপাহ

তথাপি-
অভিমানী দুৱৰি জনী হৈ
চকুলোৰে মালা গাঁথি
ৰৈ আছোঁ
মাথোঁ তোমাৰ অপেক্ষাত।

# অভিনয়

ভূমিকা লহকৰ
গুৱাহাটী

আকাশ,
মেলি দিলোঁ দুয়ো হাত
তোমাৰ দিশে,
মোক আকোঁৱালি লোৱা
তোমাৰ বুকুতে।

চাব খোজোঁ এবাৰ
তোমাৰ বুকুৰ পৰা,
এইখন পৃথিৱী
স্বাৰ্থপৰ মানুহৰে ভৰা।

ইয়াত বিশ্বাসৰ মৃত্যু হয়
মৰম, ভালপোৱাৰ
চলনা হয়,
সন্মানৰ দৰ দাম হয়।

এই ৰংগমঞ্চত বিৰাট
অভিনয় চলাই,
যিসকলে অপাৰগ
চকুলোৰে বাট নেদেখা হয়।

আকাশ,
সাবতি লোৱা মোক
তোমাৰ উদাৰতাৰ মাজত,
থাকিব খোজোঁ মই
তৰাৰ লগত।

# ভাল পাওঁ

ডেইজী আহমেদ
ডিব্ৰুগড়

ভালপাওঁ আকাশৰ বিশালতা
ভালপাওঁ সাগৰৰ গভীৰতা
ভালপাওঁ জান, জুৰি, নদ-নদী
ভালপাওঁ বুকুত সকলো সামৰি
কুলু কুলু শব্দেৰে বৈ অহা নিজৰা।
ভালপাওঁ তোমাৰ মিঠা মিঠা
অনুভৱেৰে লিখা
তোমাৰ সকলো কবিতা,
লিখি যোৱা তুমি
পঢ়ি যাম মই
মইয়ো লিখিম তোমাৰ দৰে
প্ৰেম আৰু বিষাদৰ কবিতা।
পিচে কেনেকৈনো লিখিম
কবি যে নহয় মই
ভাবিছোঁ তোমাৰ কবিতাৰে
প্ৰতি কবিতাকে লেখিম মই...

# চুমিলাৰ বাবে এটুপি চকুলোঁ

নিৰ্মালি ভট্টাচাৰ্য্য
মঙলদৈ, দৰং

সেউজীয়া পাতৰ ওৰণি গুচাই
কলি মেলিছেহে
তহঁতে তাইক মাৰি
পেলালি।
মাকৰ কোঁচলৈ দৌৰি যাব খোঁজা
তাইক তহঁতে মাকৰ বুকুৰ পৰা
আঁতৰাই আনিলি।
নৰ পিশাচ তহঁত বোৰৰ
মুখত বিৰিঙাই ল'লি
কুৎচিৎ হাঁহি।
ফুলৰ দৰে কোমল
সেই কণমানি জনীৰ আৰ্তনাদ
শুনিও এবাৰলৈয়ো নকঁপিল
বুকু তহঁতৰ।
হিংস্ৰ বাঘৰ দৰে
নৰমাংস বিচাৰি
জঁপিয়াই পৰিলি
সেই কুসুম কলিটিৰ ওপৰত।
শুকান ওঁঠৰ মৰিশালিত
চিঙি পৰিল অহেতুক
জীৱনৰ লালসা।
পুতৌ লগা আবেলিটোৰেও
ঘনে ঘনে ক'লে তহঁতক
তাইক এৰি দে,
প্ৰস্ফুটিত হব খোজা
কলিটিয়ে বৰ কষ্ট পাইছে।
কিদৰে সহিব তাই
তহঁতৰ উদণ্ড যৌৱনৰ
দংশন ?
তথাপিও এবাৰলৈয়ো
ক্ষান্ত নহলি তহঁত।
কণমানিৰ তেজেৰে
পাশবিক ভাবে ফাকু খেলা
তহঁতৰ শেষ বিচাৰ নহ'ব
বুলি নাভাবিবি।
মনত ৰাখিবি
ইয়াৰ মূল্যও দিব লাগিব
তহঁতে নিজৰ তেজেৰেই।

# কলাজ

পাহাড়ী শইকীয়া
নামৰূপ, বি ভি এফ চি এল কলনি

মোৰ সমস্ত মৰম বোৰ কবিৰ কলমত এটা নিখুঁত
কবিতা হওক।
মোৰ সমস্ত প্ৰেৰণা বোৰ তোমাতেই বিলীন হৈ
যাওক।
মোৰ সমস্ত অনুতাপ বোৰ বতাহত
মিলি যাওক।
মোৰ সমস্ত অহংকাৰবোৰ,
নিৰ্মূল হৈ পৰক।
মোৰ সমস্ত দুখবোৰ,
গীতিকাৰৰ সুৰৰ লহৰত ...
চৌদিশে বিয়পি পৰক!
মোৰ সমস্ত সুখবোৰ,
তোমাতেই বিলীন হৈ
আনন্দৰ সঁফুৰা হৈ,
উমলি থাকক।
মোৰ সমস্ত বেদনাবোৰ,
নিগৰি নিগৰি ...
নিজৰি নিজৰি...
দূৰৈৰ সিপাৰৰ নিজৰাটোত
বিলীন হৈ পৰক।
মোৰ সমস্ত জীয়াই থকাৰ স্পৃহা সূৰ্যাস্তৰ নতুন দিগন্ত
লৈ
নব্য ৰূপৰ
সোঁত নাওঁ হৈ বৈ যাওক।
নাৰবীয়াৰ পানীত
আকাশৰ জোনটি
অমুৰ্ঘ সূৰ্যাস্ত হিচাবে বৈ যাওক
মোৰ সমস্ত বেদনা, মৰম, দুখ, অহংকাৰ, আনন্দ...
একোটা কুণ্ডত কটা ভাস্কৰ্য হৈ বৈ যাওক ।
মোৰ সমস্ত জীৱনৰ বেদনা
সুখৰ ফুল হৈ ফুলক...।।

# বিষাদৰ কবিতা

কঙ্কণ শৰ্মা
টিহু, হাৰিভাঙ্গা

মই তোমাৰ আঙুলিত পিন্ধাই দিয়া
আমাৰ মিলনৰ সেই আঙঠিটো
তুমি আজিও পিন্ধানে
আঙুলিৰ মাজত।

বেকাৰ প্ৰেমিকে দিয়া
মূল্যহীন খাৰুযোৰ
আজিও শুৱাইনে
তোমাৰ দুহাতত।

মই দিয়া হাঁহিবোৰ
তুমি আজিও ওলোমাই লোৱা নে
তোমাৰ গুলপীয়া ওঁঠত।

এতিয়াও ৰঙা পৰেনে
তোমাৰ দুগাল
এবুকু অভিমানত।

বকুল জোপাৰ তলতে বৈ
এবুকু মৰমেৰে
আঁকি দিয়া পূবৰ ৰঙা বেলিটো
এতিয়াও জিলিকি উঠেনে
তোমাৰ কপালত।

নে মচি দিছা?
মই আঁকি দিয়া
তোমাৰ কপালৰ ৰঙা বেলি
অভিমানৰ বিষাদত।।

# হেঁপাহৰ সপোন

জ্যোৎস্না শইকীয়া
মঙলদৈ

বহু দূৰ বাটকুৰি বাই অহা
দক্ষিণা বতাহ জাকে
ধূলিৰ ওৰণি গুচাই
বাতৰি দি যায়
বসন্ত অহাৰ...
কুসুমাকৰে পাৰি দিয়ে দলিচা
ৰঙালীক আদৰাৰ বা বে
আলি পদূলি এৰি উদং পথাৰত
সৰাপাতবোৰো শুই পৰে
উৰ্বৰা পথাৰখনৰ হেঁপাহেৰে..

ধৰাৰ বুকুত এক বৈপৰীত্যৰ
জোৱাৰ উঠে !

# দ্বিতীয় ভাগ

## সম্পাদনা

ৰঞ্জনা পাঠক



# ইতিহাস তুমি স্তব্ধ কিয়

প্ৰেম  বৈষ্ণৱ
বিহমাৰী বনগাঁও, বিশ্বনাথ

ইতিহাস তুমি নিৰৱ কিয় ?
সমাজৰ কিছুমান মানুহে কয়,
আমি হিন্দু-মুছলিম ভাই-ভাই।
কিছুমানে আকৌ অহঙ্কাৰেৰে কয়
মই হিন্দু, উচ্চ কুলৰ হিন্দু....

মই ব্ৰাহ্মণ, কলিতা, মই গোহাঁই,
আনৰ লগত কোনো তুলনা নাই।
আমিয়েই এই ধৰাৰ সৰ্বশ্ৰেষ্ঠ,
আমাৰ সমতুল্য আৰু কোনো নাই।

ইতিহাস , তুমি নিমাত কিয় ?
স্পষ্টকৈ তুমি নোকোৱা কিয় ?
সচাঁ কথাটো তুমি নোকোৱা কিয় ?
তুমি সকলোকে বুজাই দিয়া,

জাতি, বৰ্ণ, ভাষা, উচ্চ নিচৰ ভিন্নতা
কোনো মূল্য নাই এই সমাজত ,
যদিহে নাথাকে তোমাৰ  মানৱতা।
ইতিহাস তুমি নিৰৱে নাথাকিবা।

এতিয়াও সময় আছে বুজাই দিয়া,
ৰাজনৈতিক স্বাৰ্থ পৰিহাৰ কৰি
প্ৰকৃত সত্য আমাক বুজাই দিয়া।

সৃষ্টিকৰ্তাই তো সকলোৰে সৃষ্টি
একেই তেজ-মঙহৰেই কৰিছে।
ৰঙা তেজে তাৰেই প্ৰমাণ দিয়ে,
এইকথাই যদি বাস্তৱ সত্য হয় ,
তেন্তে, ভেদা-ভেদৰ বীজ কোনে সিঁচিলে ?

ইতিহাস তুমি নিৰৱ কিয় ?
তোমাৰ নিৰৱতা, মৌনতা
ভঙ্গ কৰি আমাক বাট দেখুৱাই দিয়া,
তুমি  আমক শুদ্ধ পথ দেখুৱাই দিয়া।।

# তুমি নাই

দেবৰ্ষি গৌতম
বনগাঁও, নলবাৰী

এতিয়া তুমি মোৰ ওচৰত নাই
সেই বাবে
নিৰ্জন ৰাতিত আজিকালি
একোৱে ভাল নালাগে মোৰ
তোমাৰ সতে যদি কটাব
পাৰিলোঁহেঁতেন এই ৰাতি
তেতিয়া হ'লে কিমান যে
ভাল লাগিলহেঁতেন
সৰু সৰু জোনাকী পৰুৱাৰ পোহৰে
ৰাতিৰ পৰিবেশতো একেবাৰে
উজলাই তুলিলেহেঁতেন
এতিয়া তুমি মোৰ ওচৰত নাই
সেই বাবে
মনটোও বৰ চঞ্চল হৈ পৰিছে জানা
কিতাপৰ পৃষ্ঠাবোৰ লুটিয়াবলৈ
আৰম্ভ কৰিলেই
পৃষ্ঠাবোৰৰ মাজত কেৱল
তোমাৰ ছবিহে দেখা পাওঁ
মনে কোনো কাৰণতে মানি নলয়
তোমাক যে আৰু মই
কেতিয়াও দেখা নাপাওঁ
এতিয়া তুমি মোৰ ওচৰত নাই
সেই বাবে
এতিয়া ৰাতিৰ জোনৰ পোহৰবোৰ
মোৰ বাবে ফটফটীয়া নহয়
ৰাতিৰ শীতল বতাহজাক আজিকালি একেবাৰে অপৰিষ্কাৰ
নদীৰ পানীবোৰেও আজিকালি
কুলু কুলু কৰিবলৈ বন্ধ কৰিছে
মোৰ আজি এনেকুৱা অনুভৱ হয়
যেন মই আজিকালি এটা নিৰ্জন দ্বীপত এক নিসংগ জীৱন অতিবাহিত কৰিছোঁ

# হালধীয়াত সেউজীয়া গান

ললিত কুমাৰ বসুমতাৰী
খেলমাটি, তেজপুৰ

হালধীয়া সৰিয়হ ফুলবোৰত
ছিটিকি পৰিছে তোমাৰ
তেজে ফুটো ফুটো হাঁহি
সুগন্ধিত বৈছে আনন্দৰ চকুলো

এপাহ,দুপাহ শতপাহ পাহিৰে
সুখ-নিজৰা বৈ পৰিছে মসৃণ দুগালত
গুলপীয়া বসন্তৰ উৰুলি

মৌ-মাখি জাকে হৃদয় খুলি গুণগুণাইছে
সৰিয়হ তলি উখল-মাখল
চাকত নিৰ্যাসৰে ভৰি পৰিছে ৰহঘৰা
শাঁত পৰিছে বুকুৰ নিভৃত কোণ

ফৰকাল আকাশখনতকৈ
শাওণীয়া আকাশ মেঘাচ্ছন্ন যদিও
ধৰালৈ নামি অহা বৰ্ষাৰণ্যতেই প্ৰাণ আছে,
জীয়াই থকাৰ প্ৰতিশ্ৰুতি আছে;
আছে জীৱনৰ মাদকতা
সেউজীয়াত ভৰে হৃদয়

আহক দিয়া আকৌ এবাৰ
সৰিয়হ ফুলাৰ বতৰ
হালধীয়া ৰংবোৰ চুই চুই
একেলগে গাব পাৰিম
জীৱনৰ সেউজীয়া গান

# নেপথ্যত

বশিষ্ঠ কলিতা
আমচৈ, নগাঁও

মোক থৈ
মনটোক লৈ আহিছোঁ
জুই আৰু পানীৰ কথা শুনিবলৈ
হাতখন খুলি
কলমটো আনিছোঁ
ভোকৰ কবিতা লিখিম বুলি
অনিচ্ছাকৃতভাৱে মই এৰি আহিছোঁ
মোৰ উৰলিব ধৰা কামিজটো
যিটোৱে মোক ঢাকি ৰাখিছিল
মই লগত নানিলো
মোৰ চিনাকি
মোৰ ঠিকনা
অথচ মই ক'তোৱেই হেৰুৱা নাই
এদিন হঠাৎ
মোৰ চকুজুৰি ক'ৰবাত খুলি পৰিল
খেপিয়াই খেপিয়াই ঈশ্বৰৰ ছবি আঁকিলো
আচন্দ্ৰাই কৰিছে
ঈশ্বৰ
ঈশ্বৰ
ঈশ্বৰ
মানুহবোৰে জুম পাতি কিবা চাইছে
কি চাইছে
কোনোৱে ইচ্ ইচ্ কৰিছে
মই একো দেখা নাই এন্ধাৰৰ বাদে
খুলি পৰা চকু দুটা বিচাৰি বিচাৰি
এতিয়া এন্ধাৰতো কিবা-কিবি দেখো
মই দেখো মানুহৰ ভিতৰত অমানুহ
মই দেখো সাগৰৰ তলিত ফুটা
মই দেখো অট্টহাস্য
মই দেখো শ্মশানৰ ধোঁৱা
কথাবোৰ কৈ আছিলোঁ
কথাবোৰ কৈ শেষ নৌহওঁতেই
ক'ৰবাত জুই লাগিল

# সৰাপাত

মৌচুমী ভৰালী শৰ্মা
মালিগাঁও, নামবাৰী

মই জানো
তোমাৰ বুকুত মৰমে
গঁজালি মেলিছে
দিয়া তাক
লহপহকৈ বাঢ়িবলৈ
চাবা এদিন সি
বট্‌বৃক্ষলৈ ৰূপান্তৰ হৈছে

মই জানো
টান মাটিৰ ভাঁজে-ভাঁজে
সিঁচৰিত শিপায়ে বান্ধিছে
সমস্ত এনাজৰীৰ বান্ধোন

বহা মোৰ পাতৰ দলিচাত
সাত জনমৰ
একো দিব নালাগে মোক
দিছো মই পঁকা-কেঁচা
এচাতি বতাহ

জানো মোৰ অস্তিত্ব
সিওঁ যে অৱশিষ্ট
সৰা পাতৰ
ভাঁজতো থাকে
ৰং সলোৱাৰ মস্তিস্ক।।

# প্ৰত্যাশিত

অন্তৰা ভট্টাচাৰ্য্য
গোটানগৰ, মালিগাঁও

হৃদয়ৰ কোনোবা চুকত ৰোপিত
অবুজন সেই আকুল অনুভূতি
সময়ৰ সোঁতে উটুৱাই নিলেহি
ৰঙা, নীলা সপোনৰ নিচিগা লানি
একা বেঁকা পথৰ আলিদোমোজাত
লক্ষ্যবোৰো যেন অস্তগামী
সাফল্যৰ মুকুতাবোৰ সৰকি সৰকি
মৰীচিকা হে হ'ল লগৰী।

জীৱনৰ আদবাটত সান্নিধ্যৰ হেঁপাহ
সেই অবুজ অনুভূতিৰ
সেৰেঙা শীৰ্ণ হৃদয়ৰ অপেক্ষা
কেৱল ৰসাল মিঠা শব্দৰ
সৌ ভাল লগা কথাবোৰ, শব্দবোৰ
আজিও ক'বলৈ মন যায়
আজিও শুনিবলৈ মন যায়
স্বচ্ছ আকাশৰ তলত শান্তিৰ দূবৰিত....
এটি পল উশাহৰ

# জীৱন

গীৰিণ বড়া
গুৱাহাটী

তাৰ জীৱনটো আজি
ৰামধেনুৰ দৰে ,
মাথো সপোন দেখে
আপোনাৰ, মোৰ দৰে
সমাজৰ পৰা বহু দূৰত
বুকুত এবুকু সাহস,
উমি উমি জ্বলি আছে
বুকুৰ মাজত একুৰা জুই
প্ৰেমে কোঙা কৰা তাৰ জীৱন
সাহস দিয়ে তাক
সাতোৰঙী ৰামধেনুৱে,
সাহস দিয়ে তাক
লগৰ বন্ধুৱে
উচুপি উঠা দেখি তাক
বন্ধুজনে কয়
ৰাতি আকাশলৈ চাবা
তেতিয়া বুজি পাবা
জোনৰ অবিহনে তৰাৰ
উজ্জ্বলতা কিমান ?
হাঁহিবলৈ শিকা,
কোনে বুজিব ?
কোনে সুধিব ?
তুমি কেনে আছা ?
মাথো তুমি শক্তিশালী হোৱা
কেতিয়াবা চোতালত,
কেতিয়াবা মুকলি পথাৰত
ৰামধেনুৰ সৈতে তাৰ হাঁহি
কেতিয়াবা গছৰ ফাকেৰে জুমি চায়
ৰামধেনুৰ ৰং
লাজ কৰে সি ,ভয় কৰে সি,
আনে হাঁহিব বুলি

# তোমালৈ বৰ মনত পৰে

সঞ্জীৱ বড়ো
গুৱাহাটী

নাযাবা তুমি তোমাৰ
কোমল ভৰিৰ লাজুকীয়া খোজেৰে
সৰা পাতক গচকি
কিয় তুমি জানানে ?
তোমাৰ কোমল ভৰিৰ লাজুকীয়া
গচকত সৰা পাতেওঁ
প্ৰতিটো খোজৰ প্ৰতিটো শব্দত
মিচিকিয়া হাঁহিৰে উন্মনা বাউলি হয়
শীতৰ প্ৰকোপতাকো নেওচি
সংগোপনে সোমাই অহা ফাগুন
আগমনৰ কথাকে সোঁৰৰাই
হিয়াৰ মন মোৰ ৰাঙলী কৰি তোলে।
ফাগুনৰ বতাহ জাকে যেতিয়াই
দুৱাৰত টুকুৰীয়াই ৰামধেনুৰ সাতো
ৰঙৰ মিলনৰ কথাকে সোঁৰৰাই
তোমালৈ বৰ মনত পৰে
কিয় তুমি জানানে ?
যেনেকৈ শিমলু, মদাৰ, পলাশে
সুন্দৰকৈ সজাই সুখৰ বতৰা কঢ়িয়াই
ধৰণীক ৰাঙলী কৰি তোলাৰ দৰেই
তোমাৰ উজ্জ্বল মুখৰ নম্ৰ সুৰৰ
মিচিকিয়া হাঁহিৰ মিঠা
মাতষাৰলৈ মনত পৰি
বলিয়া ফাগুনৰ বতাহ জাক হৈ
তোমাৰ কথাকে সুঁৱৰি
তোমাক সাৱটি নিঃসংগতা আঁতৰাই
চিৰ জীৱনৰ চিৰ লগৰী
হোৱাৰ হেঁপাহ মোৰ জাগি উঠে
ফাগুনৰ ধূলিময় বলিয়া পছোৱা জাকে
দেহত মোৰ যেতিয়াই খুন্দিয়াই
তোমালৈ বৰ মনত পৰে
কিয় তুমি জানানে ?
উতনুৱা ফাগুনৰ ধূলিময় ধৰণীক
নামি অহা শীতল বৃষ্টি প্ৰতিটো টোপালেৰে
প্ৰকৃতিক ধুৱাই নতুনকৈ আগলি মেলা
কুঁহিপাতৰে সজাই তোলাৰ দৰেই
শ্বাসৰুদ্ধ জীৱন যুদ্ধৰ আধৰুৱা মোৰ
প্ৰণয় বাটৰ তোমাৰ অনুৰাগেৰে সজাই
মধুময় কৰা তুমি হ'লা
মোৰ জীৱন সাৰথি।

**তৃতীয় ভাগ**

**সম্পাদনা**

এছ আহমেদ



# পিতাই আৰু পথাৰ

জিণ্টু চাংমাই
চামগুৰি, নগাঁও

পুৱাৰ ফেহুঁজালি কাতি কৰি
কুকুৰাৰ ডাকতে
আৰম্ভ হয় বছৰটোৰ যাত্ৰা
পিতাইৰ দুবাহুৰ শক্তি কপালৰ ঘাম
নাঙলৰ সিৰলুত উদ্ভাসিত হয়
যাউতিযুগীয়া সেউজীয়া সপোনৰ মাত্ৰা
জেঠত শুকাই আহাৰত ঢৌৰাই
শাওণৰ বাখৰুৱা সপোন,
গোজেই গঁজালি লিহিৰি আঙুলি
বুকুত সাঁচি ৰখা বহু কথাই
পিতাইৰ পথাৰখন নিচেই আপোন।
জেঠৰ ৰ'দে পোৰা পিতাইৰ পিঠি
শাওনৰ বহু সপোন
কাতিত গাভৰু হয় পিতাইৰ পথাৰ,
বছৰটোৰ যাত্ৰাত কষ্টৰ ওৰ নাই
কেতিয়াবা...
কঁপালত উকা দুহাত,
আঘোণত পৰে যদি
পিতাইৰ সফলতাৰ এখোজ
দেহাটি তেতিয়া পৰে শাঁত
পিতাই আৰু পথাৰ
আখলৰ জুইকুৰা আৰু আইৰ মাজতো যে
আছে বহু কথা আশাৰ।

# কোনো কালে নুশুকাবি জান

যুৱৰাজ বাচকোটা
বিশ্বনাথ, অসম

নীলা সুউচ্চ গিৰিৰ পৰা
দিনে নিশাই নিগৰিত
নিজৰাৰ চানেকি জান
খৰাং তৰাং দুৰ্ভিক্ষ হেজাৰ
তোমাৰ গাত সহি গ'লেও
হাৰ মানি নুশুকাবা চিৰকালে বৈ যাবা
তুমি মোৰ প্ৰাণৰো প্ৰাণ
তুমি মোৰ কবিতাৰ তান।
মন্দাকিনী ৰূপে তুমি বৈ যাব লাগিব
সমুদ্ৰ ৰূপে অমৃতৰ ধাৰা বোঁৱাই
সেউজীয়া ধৰণীক কৰি মহিয়ান
জীৱকুলে তোমাৰ অবিহনে
জীয়াবই নোৱাৰে প্ৰাণ
সেয়েহে তুমি মোৰ কবিতাৰ ছন্দ
উদীপ্ত হিয়াৰ তান।
মোৰ ভগ্ন হৃদয়ক তচনচ হ'বলৈ
কোনো কালে নিদিবা
তুমি মোৰ দেশৰ মাটিৰ গান।
কৰোযোৰে কাবৌ কৰোঁ তোমাক
কোনো কালে নুশুকাবা জান।

# যৌৱন এটি নিশাৰ সপোন

মিনু হাজৰিকা
গুৱাহাটী, কামৰূপ (ম)

যৌৱন এটি নিশাৰ সপোন
নিমিষতে শেষ হব পুৱতিৰ
আহিলে কিৰণ।
বান্ধৈ নকৰিবি গৰ্ব
ৰূপৰ ৰদকাঁচলি ল'ই।
জীৱনৰ শেষ সন্ধিয়াত ইয়ে
গুচি যাব নিয়তিৰ পৰিণতি হৈ
কিয় কৰা গৰ্ব ইমান
ক্ষন্তেকীয়া মানৱ দেহৰ,
ভেদ কিয় ক'লা বগাৰ
জোখ লোৱা কিয় বাৰু
সাঁচতীয়া ধনৰ।
ৰামৰ তেজ আৰু
ৰহীমৰ তেজ ল'ই
যাওঁ যদিহে জোচেফ বা
আন কাৰোবাৰ তালৈ,
দিব জানো পাৰিবা সমিধান
কাৰ তেজ কোনবিধ?
প্ৰকৃতিৰ ইয়ে অদ্ভুত সাঁথৰ
একে তেজ, মঙহো একেই,
একেই জীৱন ধাৰণৰ প্ৰণালী আমাৰ।
ভিন্ন মাথোঁ বিকাৰগ্ৰস্ত মস্তিস্ক,
নীচ মন আৰু ধ্যান ধাৰণাৰ।।

# ধন্য দেশ

জহিৰুল ইছলাম
কোকৰাঝাৰ

ধন্য এই স্বাভিমান
ধন্য এই নভস্নান।
ধন্য হওক, ধন্য হওক
পুণ্য ভূমিৰ আৰমান

ধন্য মাটি, ধন্য পানী
ধন্য বায়ু আকাশ খন।
স্বৰ্গদ্বাৰ এই দেশ
মিলন ভূমিৰ স্বৰ্গধাম।

ধন্য বৃষ্টিৰ টোপাল পৰা
সেউজ ভৰা শান্তিৰ ধৰা।
ধন্য ফচল, ধন্য ধান
ধন্য হওক, ধন্য হওক
জনম ভূমিৰ সফল গান।
চাদৰ মেৰি বুকুত সাৰটি
জান জুৰি তৃণ বন
ডেউকা মেলি গগন চুমে
উৰি ফুৰা প্ৰাণ ধন।
ধন্য নদী, ধন্য সোঁত
ফুল, ফল, দুবৰি বন
ধন্য মোৰ দেশৰ মাটি
সুৰলা সুফলা অসম খন।
ধন্য এই তীৰ্থভূমি
ধন্য এই স্বৰ্গভূমি
ধন্য সাধু, ধন্য ফকিৰ
ধন্য শান্তিৰ পৰিৱেশ।
ধন্য বায়ু, ধন্য মাটি
ধন্য পাহাৰ, ধন্য দেশ।

# বিষুৱ ৰেখাই গতি সলালে

বিশ্বজিত কছাৰী
গোলাঘাট

ঘন কুঁৱলী ফালি অহা কুহুমবুলীয়া ৰ'দৰ হাঁহি
পুৱাৰ কোমল ৰ'দত বহি
গা ৰদাইছে বৃদ্ধালোকে
জীৱনৰ এই বিয়লি বেলাৰ আলোক ৰস
ব্যস্ত মাথো ব্যস্ত....সম্বন্ধীয়ৰ লগত
এৰি অহা দুখ বেদনাৰে ভৰা
অন্তহীন ডাৱৰৰ কথা,
দেহৰ বিষুৱ ৰেখাই কক্ষপথ
সলনি কৰিছে
লাখুটিডাল সঘনাই হাতৰ পৰা পৰিছে
পঞ্চ ইন্দ্ৰিয়ই সহাৰি বিচাৰিছে,
ঠৰঙা আঙুলিয়ে সোতোৰা ছালত চুম্বন সানিছে
পুৱাৰ কোমল ৰ'দে দেহ সতেজ কৰিলে
আখলৰ পানীটুপি চোতালতে তৃপ্তি
নুমাওঁ নুমাওঁ কৰা হোমৰ আঙঠাত জ্বলে
জীৱনৰ মৰিশালি,
ক্ষুধাতুৰ জীৱনৰ বিকট ইতিহাস
অভাৱত জ্বলা কলা হোৱা
মোৰ আত্মাই চিনিপায় মাৰযোৱা
বেলিটোৰ কৰুণ ক্ৰন্দন...!!!

# আঘোণ

সুৰজিৎ ভূঞা
মেটুৰাকুছি, বৰপেটা

আঘোণ আমাৰ প্ৰিয়
চিকমিকিয়া ৰ'দৰ পোহৰত
শস্য-শ্যামলা আঘোণৰ পথাৰ
কি যে অপূৰ্ব
আঘোণৰ সোণালী ধানে
পথাৰৰ চৌদিশ কৰি তোলে
সৌন্দৰ্যৰে মনোমোহা।
আঘোণ প্ৰিয় কৃষকৰ
যি আঘোণে কৃষকৰ
মুখত হাঁহি বিৰিঙিয়ায়।
সচাঁকৈ কৃষক বুলিলে যেন
অপেক্ষা মাথোঁ আঘোণৰ
সপোন মাথোঁ আঘোণক লৈ।

# শীতৰ উম বিচাৰি

প্ৰদীপ কুমাৰ দাস
হাউলি, বৰপেটা

শীতৰ পুৱাত
কুঁৱলীৰ কপাহী কোমল ভাজে ভাজে
প্ৰেমৰ মৌন বাঁহীৰ কোলাহল
মোৰ শীতল চোতাল খনত
স্মৃতিৰ সুগন্ধি এজাকে আমোলমোল
এৰি অহা সপোনবোৰে ঢৌ হৈ খেলে
মোৰ বুকুত নিশব্দে বৈ থকা নৈখন
অৰণ্যৰ সেউজীয়াই ঢাকি ৰাখে
এলাগী প্ৰেমৰ নিদাৰুণ পাহাৰ
শীতৰ সেওঁতা ফালি
অনুক্ষণে হিয়াৰ উম বিচাৰি যাওঁ
ভিজা আকাশৰ শীতৰ কিৰণত
উম বিচাৰি পাওঁ
মাটি আৰু মানুহৰ
শীতৰ সেমেকা মাটিত খোজ থৈ।

# এজন প্ৰেমিকৰ সন্ধানত

ড° অসমী গগৈ
গুৱাহাটী, কামৰূপ (ম)

যাত্ৰা আৰম্ভ কৰিছিলো দোকমোকালিতে
পূবৰ আকাশ তেতিয়া ৰাঙলী হৈছে মাথোঁ
ডগমগীয়া সূৰ্য্যটো আকাশলৈ তেতিয়াও উঠা নাছিল
ভাবিছিলো মই, যাত্ৰা আৰম্ভ কৰিম এজন প্ৰেমিকৰ সন্ধানত
যৌৱনৰ প্ৰথম ছাটি বতাহ লাগিছে দেহত।
মনত অনেক আশা, দুচকুত তৰা ভৰা আকাশৰ সপোন
খোঁজৰ তালে তালে বাঢ়ি গৈছিল হৃদয়ৰ স্পন্দন।
প্ৰাত: সময়
শান্ত, সমাহিত প্ৰকৃতিৰ মনোমোহা ৰূপ
সদ্য জাগ্ৰত পৃথিবীখনক ঊষাৰ ৰাঙলী আভাই সাবটিছে
মোৰো জীৱনলৈ ধীৰে ধীৰে যৌৱনৰ প্ৰভাত নামিছে
যৌৱনৰ প্ৰভাত বেলাত হৃদয়, মন, দুচকুত কৰিছিল সন্ধান
প্ৰেমৰ সৌধ নিৰ্মাণৰ বাবে প্ৰেমিকৰ প্ৰয়োজন!
মাথো এজন প্ৰেমিকৰ প্ৰয়োজন।
নঙলা খুলি, পদূলিত থিয় দি খন্তেক আছিলো ৰৈ
কোন দিশে যাম মই? পূব নে পশ্চিমলৈ
জীৱনৰ এই পথ নিশ্চয় হ'ব দীঘল
পাৰিম জানো জগৎ জিনিব! হ'ম জানো সফল!
পঞ্চ ইন্দ্ৰিয়ক জয় কৰা সুকোমল হৃদয় যাৰ
দুবাহুত বল, সিদ্ধান্তত অটল, জ্ঞানৰ সৌধ অপাৰ।

যৌৱনৰ প্ৰথম খোজ, বুকুত কঁপনি
জীৱনৰ পথ কোন দিশে হ'ব, নাপাওঁ চিনি
এনেতে এজন যুৱকৰ সতে সন্মুখত দেখা দিছিল আই-পিতাই
মৰম সনা মাতেৰে কৈছিল মোৰ মূৰত হাত বুলাই
'আই অ' তোৰ জীৱন যৌৱনৰ প্ৰথম খোজ, অকলে নাযাবি।
তোৰ যাত্ৰাৰ সংগী এজন আনিছো আমি
দুহাতেৰে ল' তই আকোঁৱালি।

স্তব্ধ হল মোৰ মুখৰ মাত, বন্ধ হ'ল চকুৰ দৃষ্টি
ভাবিবলৈয়ো নাই শকতি।
কৰিব নোৱাৰি একো যুক্তি,
আছিলো মাথোঁ ৰৈ
চাইছিলো স্নেহশীলা মা আৰু দেউতাৰ মুখ দুখনলৈ
জীৱন কি, যৌৱন কেনে অনুভৱৰ দুৱাৰ স্তব্ধ হ'ল
গোলাপৰ কলি পাহি নৌমেলোতেই মৰহি গ'ল
জন্ম দাতাই সামৰিলে কৰ্তব্য
আদেশ তেওলোকৰ শিৰোধাৰ্য।

মোৰ প্ৰেমিকৰ সন্ধান থমকি ৰ'ল
আগুৱাই যোৱা প্ৰয়োজন নহ'ল
পুৱাৰ আমেজ ভৰা প্ৰকৃতিৰ মনোমোহা ৰূপ
নহ'ল যে কৰা পাণ
নঙলা মুখতে, ঘৰৰ পদূলিতে থমকি ৰ'ল প্ৰেমিকৰ সন্ধান।

# পথাৰখন

অসীম জ্যোতি দাস
কাছধৰা, মৰিগাঁও

নোহোৱা হ'ব এদিন মোৰ পিতাইৰ
সপোনৰ পথাৰখন !
পথাৰত হ'ব শাৰী শাৰী অট্টালিকা
হ'ব কলকাৰখানা !
মাথো নোহোৱা হ'ব মোৰ পিতাইৰ
বাওতলী,শালিতলী মাটিডৰা,
নোহোৱা হ'ব আমাৰ ৰঙা মুগা গৰুহাল ।
নোহোৱা হ'ব
আজোককা দিনৰ গোহালিখন !
নোহোৱা হ'ব
কাতিৰ সতাত গোন্ধোৱা গোবৰৰ ভেৰণীটো
ফুলিব তাত ফৰাছী-ইটালীয়ান ফুলবোৰ !
পৰি থাকিব নাঙল-যুঁৱলি যোৰ
বেৰতে ওলমি থাকিব পিতাইৰ মৰমৰ জাপিটো !
নোহোৱা হ'ব পথাৰত ৰোৱনী-দাৱনিৰ
হাঁহিৰ খিল-খিল !
নুঠিব তামোলৰ পাগ
ন'লব ৰংমনে আলিত বহি ৰঙিলীয়ে অনা জলপানৰ
সোৱাদ !
নোহোৱা হ'ব হেঁপাহৰ ৰঙালী, কঙালী আৰু
ভোগালী।
নোহোৱা হ'ব মেজি আৰু ভেলাঘৰ
নুশুনিম ঢেঁকীৰ মাত !
পৰি ৰ'ব ওখোন, ৰইনা, বৰচালনী
আধুনিক হ'ব আমাৰ সংস্কৃতি
পথাৰখন হ'ব মূৰ্ত্ত মহানগৰী।

## চতুৰ্থ ভাগ

**সম্পাদনা**

জোন বৰা



# জেংৰাইমুখৰ ছোৱালীজনী

মৃদাঙ্ক দিহিঙ্গীয়া
কৌপাতী

জেংৰাইমুখৰ সেই ছোৱালীজনী
ধেনুভিৰীয়া ওঁঠযুৰিৰে
মাৰিছিল হাঁহি;
গুপুতে গুপুতে সপোনতো আহি।

হেঙুলীয়া আভাৰে জিলিকি থকা ঘূণাসুঁতিলৈ
আহিছিল লৰি দূবৰিৰ দলিচাৰে
আবেলিৰ শৰতৰ মৃদু আভাসত
গুজি দিছিল তাইৰ সোপান বুকুৰ গভীৰত।

ফুটুকা ফুটুকী বুটা বছা সাজেৰে
জেংৰাইমুখৰ বিহুতে লগ পোৱা ছোৱালীজনী
ঘূণাসুঁতিৰ বলুকাত বহি কৈ গৈছিল অহৰহ
ওঁঠৰ কঁপনিবোৰ মনৰ অবুজ ভাষাৰে।

সন্ধিয়াৰ ঘূণাসুঁতিৰ বলুকাত
নিয়ৰেও চুপ হৈ ৰৈছিল সেই ক্ষণত
কাষৰে গাঁৱৰ পৰা ৰিণিকি ৰিণিকি আহিছিল
বিৰহৰ ঐনিতম এফাঁকি।

চুপ হৈ আছিল তাই বহু পল
সুবাস নাছিল কেনিও
ছবি আঁকি আঁৰি থ'ব পৰা হ'লে
অন্তিম মিলনৰ সময়কণৰ।

ধেনুভিৰীয়া ওঁঠযুৰিৰে হাঁহি থকা ছোৱালীজনী
আজিকালি নাহে সপোনতো
নিস্তব্ধতাৰ পদূলিত অকলশৰীয়া পথিকজন
মৌনতা আৰু শব্দৰ কঠীয়াতলীত ব্যস্ত শব্দ বিচাৰি।

# মা

মোহাইমিনুৰ ৰহমান
বেলশৰ, নলবাৰী

মা
ন মাহ দহ দিনৰ
অলেখ যন্ত্ৰনাৰ মাজতো
তুমি মোক লৈ সপোন সাগৰত
ন ন স্বপ্নৰ নাও এৰি দিছিলা মা।

ভূমিষ্ঠ হোৱাৰ মোৰ প্ৰথম কান্দোনত
বেদনাসিক্ত তোমাৰ চকুযুৰিৰ অশ্ৰুৰ মাজতো
মুখমণ্ডলত ফুটি উঠিছিল
আনন্দৰ হিয়াভৰা এটি মিচিকীয়া হাঁহি।

মোৰ জীৱনৰ প্ৰথম কান্দোনতে
তুমি হাঁহিছিলা যে মা।
সময়ৰ অন্তঃপ্ৰবাহত মই দেখিছিলো
হতাশগ্ৰস্ত মোৰ জীৱনৰ
প্ৰতিটো উজাগৰি ৰাতিত
লুকাই লুকাই চাদৰৰ আচলৰে
তুমিও চকুপানী মচা।

যান্ত্ৰিকতাৰ জীৱন সংগ্ৰামৰ প্ৰতিটো ঢৌৱে
মোক তোমাৰপৰা বহু দূৰলৈ ঠেলি দিলে মা।
বিশ্বাস কৰা মা, তুমি বিশ্বাস কৰা
নহয় মই স্বাৰ্থপৰ, নহয় কলংকিত সন্তান।
তোমাৰ নৰিয়াৰ কথা শুনিলে
মোৰ অন্তৰৰ প্ৰতিটো গোপন কোঠাৰ পৰা
মুষলধাৰে নামি আহে অশ্ৰুৰ বৰষুণ।

কেনেদৰে বুজাও মা
তোমাৰ কোলাত মূৰ গুজিলে
মইয়ে পাও স্বৰ্গীয় সুখৰ অনুভূতি।
তোমাৰ দুহাতৰ আঙুলিৰে চুলিত হাত
বুলালে
নিদ্ৰাত মগন চকুযুৰিৰে অনুধাবন কৰোঁ
এক শুকুলা শান্তিৰ পৃথিৱীৰ।

মা! চকুৰ পৰশত ভাঁহি উঠা
তোমাৰ মুখমণ্ডলৰ সান্নিধ্যতে
মই পৃথিৱী জিনাৰ সাহস পাওঁ
নিৰাশাৰ মাজতো জীয়াই থকাৰ প্ৰেৰণা
পাওঁ।

পূজনীয় জীৱনদায়িনী দেৱী তুমি
নিস্বাৰ্থ মৰমৰ সুবাসেৰে
মোৰ হৃদয়ক আগুৰি ৰখা
গোটেই জীৱনজুৰি।

# দূৰত্ব

অংগীতা দাস
সোণাপুৰ

সঘনাই মনত পৰিছে
সপোন সপোন লগা
সেই দিনবোৰলৈ।

যিদিনা তোমাক মই
হিয়া উজাৰি ভাল পাইছিলোঁ,
আজিও মনত পেলাই কান্দো
কিয় তোমাক ইমান ভাল পালোঁ।

সীমাহীন ভাৱনা বিষাদ বোৰে
দূৰত্ব বজাই ৰাখিছে তোমাৰ পৰা।

এতিয়া আৰু তোমাক ভাল পাব নোৱাঁৰো
কাৰণ তুমি দি যোৱা
বিষাদৰ টোপোলাটো
সযতনে ৰাখি থৈছোঁ
মোৰ হৃদয় মন্দিৰত।

সেই যে তোমাৰ বিশ্বাসঘাত
আজি হয়তো ভাবিব নোৱাৰোঁ
তোমাক ভালপোঁৱা কথা।

এতিয়া তোমাৰ আৰু মোৰ
মাজৰ দূৰত্ব
আকাশ আৰু পাতাল।
এতিয়া মাথোঁ
সপোনতহে দেখো আমাৰ মাজৰ
নৈখনৰ দূৰত্ব

# বাট

মৃদুল শৰ্মা
গোলাঘাট

পোহৰ দেখাৰপৰা চিনাকি সিহঁত
আনকি এন্ধাৰতো
সেই নিমজ ভাঁজৰ একাবেকা বাট
অচিনাকি হৈছে ক্ৰমাৎ ।

আগেয়ে
সিহঁতে মোক সংগ দিছিল
দুয়ো নিৰ্ব্বিবাদে গঢ়িছিলোঁ আন্তৰিকতা ,
পুৱা, গধূলি, দিন - দুপৰত
পূৰ্ণিমা অথবা আঁউসীৰ ৰাতি
নিজানৰ অকলশৰীয়া সময়বোৰে
গাঢ় কৰিছিল আমাৰ নিবিড়তা ।

কাৰো ভৰ সহি আমনি নোপোৱা বাটবোৰে
পোখামেলি বিশ্বজয়ৰ বেহু ৰচা বাটবোৰে
কেতিয়াবা মোক কাণে কাণে কৈছিল
আহিবা আজৰি পৰত
কথা হ'ম সুখ দুখৰ
ময়ো গৈছিলোঁ
এলাগি বন চিকুনাই
কাষৰ চাপৰিৰ দুচপৰা আনি
মেলি দিছিলোঁ খাল ডোং চায়
তৃপ্তিৰে সিহঁতেও চাইছিল
মেলি দিছিল মোৰ আগত
ভালপোৱাৰ দুখনি হাত
মাটি আৰু মানুহৰ
এয়াযে আত্মাৰ টান... ।
এইবোৰ এটা যুগৰ কাহিনী...।
এতিয়া
সিহঁতৰ সতে আলাপ কৰোঁতা নাই
কাৰোবাৰ পদস্পৰ্শৰ বাবে
সিহঁতে উচুপে
সিহঁতৰ সতে মনৰ কথা পাতি
এলাগি বন কোনেও নুগুচায়
দুচপৰা মাটিৰে
বুকুৰ ঘা গুচাওঁতা কোনো নাই ।

আজিকালি
চিনাকি আপোন বাটবোৰত
মোৰো বাটকেঁৰা লাগে
তেতিয়া ভাবো
মই বাৰু অবাটকে বুলিছো নেকি বাট
নে মোৰ বুকুত বাজিছে
ছন্দহীন জীৱনৰ লয়হীন ঘাত।

# বাটৰুৱা

হিৰামনি লাহন
গোলাঘাট

শীতৰ কুঁৱলী ফালি নিয়ৰৰ বুকুত
হৃদয়ৰ সমস্ত অনুভূতিৰে ছবি অঁকা
বাটৰুৱাজন কোনোদিনেই কবি নাছিল,
নীৰৱতাৰ ধুমুহাত বেদনাৰ পৃষ্ঠা লুটিয়াই
তেৰোঁ জুমি চাই আবেলিৰ হেঙুলীয়া ৰং।
এটি দুটিকৈ সংগীবিহীন আখৰবিলাক গোটাই
শব্দৰে সজাই,
জীৱনৰ অভিনৰ অৰ্থ
তেওঁও বিচাৰি পায়।
মিঠা সপোনৰ ভৰত,
উজাগৰী নিশা কটাই
তেওঁও কেতিয়াবা সুধি চায়,
'বিষুৱাভা 'এতিয়া কিমান ৰাতি?
পোহৰ ঠেৰেঙা লগা জাৰত শীতৰ পৰিধি ভাঙি
তেওঁৰ উমাল বুকুতো
ফাগুনে আহি জিৰায়।
উজাগৰী নিশা সপোন বোটলা বাটৰুৱা জন
কবি নাছিল;
তথাপিও ভাল পায়,
ফুল, নদী, মাটিৰ গোন্ধেৰে
স্বপ্নৰ মধুৰ শব্দেৰে
মিঠা মিঠা প্ৰেমৰ সপোন সাজি,
ফাগুনৰ সৰাপাত, শেৱালীৰ কোমল হাঁহিৰে
তেওঁৰ হৃদয়তো প্ৰেমৰ যমুনা বোৱায়।

# ভোগালী

ড° ৰমেশ কুমাৰ কাকতি
লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ

পুহৰ ঠেঁটুৰৈ লগা
শীতৰ নঙলা খুলি
সপোন সপোন লগা
ভোগালী আকৌ আহিলে।
কাঁচিখন সামৰি দাৱনী জনীয়ে
কৰিছিলে পণ
এইবেলি ভোগালীক আদৰিব
মনৰ উলাহেৰে।।
পথাৰ মুকলি কৰি ভঁৰাল ভৰাই
ইচাটি-বিচাটি মন
পাতলীয়া ডাৱৰেও সুৰুযৰ সতে কৰে
মিঠা আলিংগন।
ৰঙিলী-পমিলী বাৰু থাকে কেনেকৈ
লাই লফা কবি আলু বেঙেনা বিলাহী
সেউজীয়া পাচলিয়ে
ভৰি আছে বাৰীখন।।
বৰা চকোৰা ধান আছে ভাগে ভাগে।
মাৰি জাৰি শুকুৱাই
চিৰা মুড়ি লাড়ু পিঠা
বনাব লাগিব।
ডেকাহঁতৰ তত নাই গাত
ভেলা-ঘৰ মেজি সাজিবলে আছে
বাঁহখৰি কাঠখৰি পথাৰৰ নৰা কাটি
দ'ম কৰি থলে।
উগুল-থুগুল মন
কেনেদৰে সজাব বিহু
চুবুৰীয়াৰ সতে মিলি উদৰ পূৰাই
মিলিজুলি এসাজ খাবলে।।

# কুঁৱলিৰ কেনভাচ্

বলো ৰাম শইকীয়া
পাঞ্জাৰবী, গুৱাহাটী

ম'হৰ শিং কঁপোৱা জাৰ
ডাঠ কুঁৱলীৰ কেনভাচত
কুঞ্চিত কপালৰ চিত্ৰকৰে
আঁকিছে যোৱা পয়সত্তৰটা বছৰৰ
জাৰৰ ৰাতিপুৱাৰ চিত্ৰ

ৰাতি হাঁহ পাৰ বিচৰা
শিয়াল হেপাবোৰ
জাৰণিলৈ উভতিছে দোকমোকালিতে
কান্ধত নাঙল যুৱলিৰে
পঞ্চাশোৰ্ধৰ হালোৱাজনে
কাহি কাহি কফবোৰ
উকুলিয়াইছে পথাৰৰ আলি কাষত

ঊৰ্ধমুখী মহঙা দিনৰ কাৰচাজি
অন্নহীন বস্ত্ৰহীনে নসহিও সহে
শীত আৰু কুঁৱলীৰ সন্ত্ৰাস
হাড়ে হাড়ে তীৰ-কঁপনি

এটা আওপুৰণি গম্বুজৰ তলত
এটি ড'ড'ই বিলুপ্তিক সোৰৰায়
লেবেজান বনুৱাৰ ঘোৰ নিদ্ৰা
জীৱনটো যাৰ বয়লাৰৰ কয়লা
অথচ দেহা ঠাণ্ডাত উষ্ণতাহীন

ছবিয়ে কথা কয়
প্ৰেম-অপ্ৰেমৰ আধা অঁকা
ছবিখনত কুহেলিকাৰ ৰং
নিয়ৰবোৰে কান্দিছে
অপ্ৰেমৰ ছবিখনৰ ছলনাময় অভিব্যক্তি
অসহ্য লাগিছে নিয়ৰৰ

ধনাঢ্য দশাননৰ হাতত কোৰোণা
তেওঁৰ সম্পদ পাহাৰ, টকাৰ গৰম
তেৱেঁই সমাজৰ মধ্যমণি
নিশ্চুপ অগণন বঞ্চিত
সাগৰ তলিত বঞ্চনাৰ কৰাল পাহাৰ

ৰ'দ বৰষুণত বিবৰ্ণ হোৱা
বিগত নিৰ্বাচনৰ প'ষ্টাৰ
ঠাণ্ডাত সিৰসিৰণি তুলি
কুঁৱলীয়ে তিয়াই ধুৱাই প্ৰতিশ্ৰুতিবোৰ
মলঙি মলঙি উৰলিছে
কত ইস্তাহাৰ
তথাপিও উদ্দীপ্ত আশাবাদ

সফলতাবোৰ অনস্বীকাৰ্য
পৰিৱৰ্তনৰ দামামা
বৃত্তান্তৰ 'ডছিয়েই' মেলি
চিত্ৰকৰে আঁকিছে
বহু সফল-বিফল সময়ৰ ছবি
আঁকিছে সত্য-অৰ্ধসত্য সৌন্দৰ্য
আৰু আঁকিছে
দিনে দিনে ক্ষয়িষ্ণু
মানৱতাৰ শীৰ্ণকায় দেহাৰে
কুঞ্চিত কুণ্ঠিত অৱহেলিত মুমূৰ্ষু
কুঁৱলীময় শীতৰ কঙাল পুৱা

# জীৱন দৰ্শন

আম চাউখ্য চাখাপ ৰেইংকেন
নাম ফাকে, নাহৰকটীয়া।

শত শত জীৱনৰ হেঁপাহ মোৰ
তোমাৰ এমুঠি স্নেহৰ আশাত
প্ৰেৰণা জাগে মধুৰ পৰশত
অকৃত্ৰিম দৰদী বেথাত।
তৃষ্ণা মোৰ মায়াবদ্ধ আকুল প্ৰাণৰ
উষ্ণ পৰশত পুঞ্জীভূত শুভ্ৰ ডাৱৰৰ
অনন্ত প্ৰহৰী হিংসা কলুষতাৰ কঠোৰ বন্ধন
বহু আক্ষেপত পোৱা খাদ্যৰ মাগন।
বিচূৰ্তি হেৰাওঁ মই বিষন্নতাৰ
তিক্ত আৰু চিত্তৰ উলংগ
ভাৱত
মুক হৈ ৰওঁ
বিধ্বংসী ধুমুহাৰ ঢৌ ভয়ংকৰ শব্দত
উন্মনা কৰে মোক বহল পথাৰৰ
মধুৰ হিয়াৰ অনুভূতি
কুঞ্জবনত জাগৰিত হয়
প্ৰতিটো অপলক চাৱনিত
পৰম মুগ্ধতাৰে দুনয়ন ভৰি চাওঁ
লালায়িত মোৰ হৃদয় আখল
নাই কোনো মধু গুঞ্জৰণ
গলি যোৱা আন্ধাৰ গহ্বৰত।
অহোৰাত্ৰে বিক্ষুদ্ধত পুঞ্জীভূত অন্বেষণ
অক্ষয় কীৰ্তিৰ আকুলতাত
হেঁপাহৰ অনুৰণন।
যুগ যুগ ধৰি বিশ্বজনীন আহ্বান
আৱেগত গীতৰ মধুৰ সুৰৰ
মূৰ্চ্ছনাত উৎসাহৰ বান
ঘূৰি আঁহো পুনু মুক্তিৰ দূৰ সান্নিধ্যতা
পৰিত্যক্ত হৈ ৰয় সাধনাৰ চেতনা
'অনিচ্ছাৱত সংঙ্খাৰা' আমি
অবিশ্ৰান্ত পথিক
আত্মশুদ্ধি প্ৰজ্ঞাৰে সাধিবা নিজৰ হিত,
বুদ্ধৰ আষ্টমাৰ্গই মানৱৰ মুক্তিৰ দৰ্শন সুগতৰ মংগলময়
সৰ্ব অভাজন।

## পঞ্চম ভাগ

## সম্পাদনা
## ড° ভাৰ্গৱজ্যোতি চহৰীয়া



# আশাৰ বালিঘৰ

সুৰজিত বৰুৱা
ছিপাঝাৰ, দৰং

পুৱাৰ খোজা ৰাতিটোত
বিনিদ্ৰ সুৰ এটিয়ে এঙামুৰি দিয়ে
নীৰৱ শব্দবোৰ পাকঘূৰণি খাই
বুকুৰ একোনত জ্বলে , পুৰি ছাই হয়
সময়ৰ মিছা আলিংগনত
পথ হেৰুওৱা নিসংগ বাটৰুৱাজনে
অমানিশাৰ এন্ধাৰকে সংগী কৰি লয়
তেতিয়াও কিন্তু সপোন এটি ওলমি থাকে
নৈপৰীয়া দীঘল বাটটোৰ আলহী হৈ ....

ৰুক্ষতাৰ কেনভাছখনত
কোমল ৰ'দ এটোপাল
বিলিন হোৱাৰ আশাত
ৰাতিপুৱালৈ বাট চায়
তামৰঙী বিষন্ন চকুহালে ... ।।

# অনুভৱৰ এমুঠি শব্দ

প্ৰিয়ংকা ভৰদ্বাজ
হাজৰিকাপাৰা, দৰং

আঘোণৰ পথাৰত
সোণোৱালী সপোনে নাচে,
ৰিব্ ৰিব্ বতাহৰ
লহৰে লহৰে..

পাহোৱাল ডেকা জনৰ ব্যস্ততা বাঢ়ে
হাতৰ কাঁচিখন খৰকৈ চলে
শীতে জোকোৰা আটিল শৰীৰটোত ঘামে উমলে
বুকু খনিত হেঁপাহে দৌল বান্ধে ,
মিচিকি হাঁহিটি ওঁঠৰ তলতে লুকুৱাই
সুহুৰিয়াই বিহুনামৰ সুৰ তোলে... ।

ৰ'দ চেৰেঙাৰ আমেজত
ৰবাব টেঙাৰ সোৱাদ,
এজাক দাৱনীৰ খিল খিল হাঁহি..
হাতৰ কাঁচি সৰে
অবুজ শিহৰণ জাগে
কাণত ৰিণিকি ৰিণিকি বাজে
হিয়াত লহৰ তোলে
পাহোৱাল ডেকাৰ বিহুনামৰ সুৰে ...... ।

ডেকাজনে আটি আটি ডাঙৰি বান্ধে
কান্ধত মেট মৰা ধানৰ ভাৰ
জিৰিক জিৰিক জিৰিক জিৰিক ..,
খোজ দিওঁতে কলাফুলৰ শিৰ ফুলে
প্ৰতিটো খোজত আত্মপ্ৰত্যয় বাঢ়ে
জীৱনটো নকৈ সজোৱাৰ.... ।

সোণগুটি চপোৱাৰ সময়তে
ডেকা জনৰ অন্তৰলৈ শিপায়
দাৱনী গাভৰুৰ নামৰ হেঁপাহবোৰ ,
ভাৰ লোৱা ডেকাৰ কাষে কাষে
ঘৰমুৱা খোজ দাৱনী গাভৰুৰ...
বুকুৰ পৰা বুকুলৈ বয়
অনুৰাগ দুয়োৰে নামৰ
চকুৰে মুখে জিলিকে
অস্তমিত সূৰুজৰ এমুঠি হেঙুলীয়া আভা,
অজানিতে দুয়ো একেলগে গুণগুণাই উঠে
বিহুনামৰ একেটি সুৰ .... ।।

# কথা আছিল

লিংকন কলিতা
মিৰ্জা, কামৰূপ

কথা আছিল যদি
আহিবা ফাগুন
ধূলিবোৰে বৈ আছে
পাতবোৰেও সুবিধা পালেই যেন
খুলি দিব শেষ বুটামটো

প্ৰেমৰ প্ৰথম কথাৰ দৰে
চিনাকিৰ পূৰ্বৰ পৰিচয়ৰ দৰে

কথাচহকী ফাগুনে
উৰি থকা চিলাখনকো কৈ শুনায়
ৰঙীণ হৈ ভিৰৰ পৰা আতৰাৰ কথা

কথা আছিল যদি
আহিবা ফাগুন
বিয়লিৰ ৰ'দজাকৰ খোজ
চুটি কৰি
এপিয়লা চাহৰ চুমুকত
গ্ৰীষ্ম আনিম

# বিদায়

প্ৰত্যুষ ডেকা
জাগীৰোড, মৰিগাওঁ

মেজিটোৰ খেৰখিনি মলঙিছে
জেতুকাবুলীয়া হাতদুখনৰ শপত,
তোমাৰ পদূলিত ৰোৱা
ঠেহে কুঁহিপাত মেলিছে।

বসন্তৰ গানবোৰ এতিয়াও বাজেনে কানত ?
নে উতলা ফাগুন পৰি ৰয়
সৰা পাত হৈ ?
নে শুকান ওঁঠৰ ফাকত আজিও হেৰাই
সুৰ(জীৱনৰ) ! !

সাহ পাই কেঁকুৰিটোৰে
পথটোৰে যেতিয়া পাৰ হয় সময়,
আঁকাতে আধৰুৱাকৈ এৰা ছবিখনত(তেতিয়া)
ৰং বোলাই ব্যতিক্ৰমীকৈ

শীতৰ ঠেৰেঙা আঙুলিত
নিয়ৰকনাৰ টোপাল,
(গতানুগতিকভাৱেই )
নৈবোৰ আগবাঢ়ে মোহনালৈ
বেলিটো সাৰটি লৈ।

# শিক্ষিত নিবনুৱা

ৰুণুমী তালুকদাৰ
দিছপুৰ, গুৱাহাটী

কিযে এই মন, একোৱেই ভাল নলগা,
উকা উকা লাগি থকা ঠিকনা বিহীন
এটা সেমেকা জীৱন।
দিনৰ পিছত ৰাতি, আকৌ দিন।
মানসিক সন্তুলন হেৰাই
অনাই বনাই ঘূৰি ফুৰা, ৰং বিহীন,
এইয়া নিবনুৱাৰ জীৱন ।

আই,
কিয়নো অ আ ক খ গাব শিকালি ?
যুক্ত আখৰ বোৰ কিয় লিখিব দিছিলি ?
ৰঙীন জীৱনৰ সপোন দেখুৱালি আই,
বাস্তৱ জীৱনৰ অঙ্ক কৰিব নিশিকালি।
জীৱনৰ যোগ আৰু বিয়োগৰ মাজত,
মই যেন সকলোতে শূন্য হৈ ৰলো!
পৃথিৱীখন বৰ জটিল অ' আই ।

সফলতাৰ জখলাত উঠি উঠি,
বিফলতাৰ ফলাফল জীৱনত
কোনো দিন ভবা নাছিলো।
কিয়,সত্য পথত খোজ দিব শিকালি?
আছে জানো ইয়াৰ কিবা মূল্য
আজিৰ পৃথিৱীত ?

জীৱন যুদ্ধৰ পলৰীয়া সৈনিক যেন।
শিক্ষিত নিবনুৱা মই ,
এইয়া মোৰ পৰিচয়।
কলম, পেঞ্চিল হাতত লৈ
দা, কুঠাৰ হাতত লবলৈকে নিশিকিলো।
এটা সংস্থাপনৰ আশাত দৌৰি দৌৰি
সময়বোৰ গ'ল উকলি।

শিক্ষাৰ আৱৰণ ইমান যে ডাঠ
আই, গুচাবলৈকে নোৱাৰিলোঁ।
যদি গুচাব পাৰিলো হয়,
এটি এটি কৈ আহৰণ কৰা
ডিগ্ৰীবোৰ দলিয়াই পলাব পাৰিলো হয়,
বনুৱা হৈয়েই কেতিয়াবা মোনা ভৰাই
বজাৰ কৰি তোৰ হাতত
দিব পাৰিলো হয়।

আই, নিজৰ উপাৰ্জনৰ টকা,
খৰচ কৰাৰ যি, আনন্দ
সেইটো যে অনুভৱ কৰিয়ে নাপালোঁ!
জীৱনৰ ইপাৰ সিপাৰ নেদেখা, এই
লক্ষ্য বিহীন গতিত গৈ থকা,
আই, মই যে শিক্ষিত নিবনুৱা।

# বিস্ফোৰণ

ছায়াৰাণী কটকী
গণেশগুৰি, গুৱাহাটী

বিস্ফোৰণ মাথো  বিস্ফোৰণ...
ফাট দিয়া বসুমতি পাতালে লুকাও...
সময় সমাগত...
বুজিও নুবুজা কিয় হে সতীৰ্থ
আই বসুমতীৰ চিৎকাৰৰ কথা...
তোমালোকৰ হেঁচাত আজি
ধৰিত্ৰীৰ বুকু ফাটো ফাটো অৱস্থা...
ধৰিত্ৰী মায়ে দিছিল তোমালোকক
এখন শীতল দলিচা,
সেইখনৰ মৰমী পৰশ এৰুৱাই কিয় কন্দুৱাইছা?
দিছা মাথো দুখ
দুখ মাথো দুখ...
আই আজি অৱশ আৰু দুৰ্বল...
নিজৰ স্বাৰ্থত আজি
আইক দিয়া শাস্তি ভোগ কৰিবলৈ
বাচিওটো নথাকিবা...
যি বা সময় আছে তাকে গ্ৰহণ কৰা,
নিজে ৰাজনীতিৰ উৰ্ধত থাকি
বিবেচনা কৰা ...
আজিৰ পৃথিৱী কঁপিছে!
কাইলৈ পৃথিৱী থৰক বৰক হ'ব...
পৰহিলৈ পৃথিৱীৰ মৃত্যু হ'ব...
স্বাৰ্থ সিদ্ধি হব জানো ?
যত  নিজৰ খোপনি পুতিবলৈ ঠাই নাথাকিব,
তাত কিহৰ সাম্প্ৰদায়িকতাৰ মেল বহিব?
তাত কিহৰ ৰাজনীতি চলিব?
হে সতীৰ্থ সকল,
জাগা জাগা মাথোঁ
নিজে নিজে মগজুক প্ৰশ্ন কৰা,
জন্ম নিয়ন্ত্ৰণ কৰা ...
পৃথিবীৰ ভৰ কমোৱা
প্ৰকৃতিক হাঁহিব দিয়া।

# সমাপ্তি ক'ত

পূৰবী প্ৰিয়দৰ্শনী
ফুলপানিচিগা, শিৱসাগৰ

ক'ত শেষ হয় অযুত হেঁপাহবোৰ,
শেষ জানো হয় মৃত্যুঞ্জয় সুৰৰ।
প্ৰতিধ্বনি হয় জানো সুখৰ সংসাৰ
শেষ বৰযুণজাকৰ শব্দবোৰ।

শেষবোৰ তাতে হয়
যত হাঁহি নাথাকে
যত নাথাকে সুখৰ জয়গান।
কৃষ্ণচূড়া পাহিত যেতিয়া
নেদেখা হয় অনুভৱবোৰ
তেতিয়াই শেষ হয়,

ৰামধেনু বৰণ সলনি নহয়,
ডাৱৰৰ মাজেও সেয়া জানো
থমকি ৰয়
হেঁপাহৰ বগাকামিজটো
সেয়াও যেতিয়া সামৰি থয়।
হেৰাই নাযায় সেই সময়,
সময়ো তেতিয়া নীৰৱ হয়।
নিশা শেষ হোৱা আগতেই
বগাফুলবোৰ ফুলি ৰয়।

শেষৰটো সুৰত যেতিয়া
হৃদয় জুৰুলা হয়,
শেষবোৰ অভিমানী হয়।
আকৌ আগবাঢ়ি গৈ থাকে
নতুনৰ দিশে,এটি অন্য পথেৰে।

# আঘোণৰ বেলি

ইভা হাজৰিকা
বিশ্বনাথ চাৰিআলি

আঘোণ পকিছে আঘোণ সৰিছে
কুঁৰলীৰ বগা সাজে পথাৰ ঢাকিছে
আঘোণৰ পথাৰে আশাৰ ফুল বাছিছে..
লাহি,শালি,জহা,বৰা ধানৰ মলমলীয়া
সুবাসে
ৰিঙিয়াই মাতিছে দাৰুনীক...
আহ ঐ আহ... হাচতিত বান্ধি থুৰীয়া
তামোল
বান্ধ ঐ বান্ধ ... পকা পকা আঘোণ
জাকে জাকে পথাৰত লখিমী দাৰুনী
শান দিয়া কাচিৰ কেচ্ কেচ্ ধ্বনি
খিল্ খিল্ হাঁহিৰ উত্তাল ঢৌত....
সোণগুটিৰ সপোনবোৰে দুচকুত
অগা দেৰা কৰে।
পিতাইয়ে বিৰিয়াত ডাঙৰি বান্ধে
কণমইনাই লেছেৰি বোটলে...
ধানৰ ঢৌ ভাঙি ঢপলিয়াই..সুহুঁৰিয়াই...
আশাৰ সুৰ হৈ আঘোণ বিয়পে,
লখিমী চপোৱাৰ বিহুনাম এফাঁকি
বোৰতি বতাহত ৰৈ ৰৈ বাজে...।
দুপৰৰ বেলিৰ ৰণচণ্ডী মূৰ্তি..
ৰবাব টেঙাই বোলে মোকে খা ...
নিমখ জলকীয়াই বোলে আমাকো লগতে
সান..
দেহা জুৰ পৰ।
জকাইচুকৰ খেৰৰ চুবুৰীত
তোৰ তেলেৰে চাকিটি জ্বলে
যন্ত্ৰণাৰ কামিহাড় বোৰত উশাহ ফুটে
ওঠত পদুম ফুলে।
সপোনসৰা আঘোণ চুমিবলৈ তুমিও
আহিবা..
কুঁৰলীৰ সেওঁতা ফালি জুমি জুমি চাবা
পকা বেলিয়ে ৰঙা কৰা প্ৰেয়সীৰ দুগাল।

**ষষ্ঠ ভাগ**

**সম্পাদনা**

উষামণি শইকীয়া



# শিলান্যাস

হেমেন হাজৰিকা
ৰাণী কাহিকুছি, কামৰূপ

এটা সপোনে
পোখা মেলিব
ৰ'দত জিলিকি উঠিব
শতদল।

আশাৰ গজালিত
সপোনৰ চুপহী
ৰৈ থাকিব
ফেঁহুজালি লৈ।

এই মাত্ৰ এটা
শিলান্যাস হ'ল
তাতেই ৰৈ আছে
এজাক উৰণ উন্মুখ
সেউজীয়া চৰাই।

চৰায়ে পাখি মেলি
নীল আকাশত উৰিব
আঁজুৰি আনিব
থুপা থুপি তৰা।

সেই তৰাৰ পোহৰত ওমলিব
জাক জাক সেউজীয়া চৰাই।

চৰাইজাক উৰাৰ দিনা
আমি হেঁপাহৰ উৰুলি দিম।

# অসীম সাধনা

দীপিকা দেৱী কলিতা

সাজ পিন্ধিব নজনা
ঋতুমতী শীতৰ কাষত
থমকি ৰয় অভ্ৰভেদী শৰেও, বিন্ধিব নোৱাৰি
সেইয়া শীতৰ সত্তা।

মাটি ইমান ঢিলা
ইমান জীপাল
অথচ বুকুত  ঘৰ বান্ধে
অশ্ৰুহীন কঠিন শিলে।

শুৱলা সুৰেৰে সোণ বৰণীয়া
ক'লা কুলি চৰাইৰ মাত
ত্ৰিভূৱন ভুলোৱা সুন্দৰী ময়ূৰ পক্ষীৰ
সীমাহীন খহতা মাত।

# নীৰৱতা

জিণ্টুমণি
বাক্সা, নলবাৰী

নীৰৱতাই কথা নকয়
নীৰৱতা মাথোঁ ৰয়,
বৈ যায় বহু প্ৰণয়
ভগ্ন হয় বহু হৃদয়।

নীৰৱতা বহুতে নুবুজে
নীৰৱতাই বুজাব নাজানে
মাথো কাঢ়ে হুমুনিয়াহ।

# আধা পোৰা কলিজাৰ বিলাপ

বুদ্ধদেৱ দেউৰী
গুৱাহাটী, কামৰূপ (ম)

হেৰুৱাৰ বেদনাই যদি
আকৌ আহি বুকুত খুন্দিয়ায়
ৰক্তাক্ত কৰে হৃদয়
কেনেকৈ থাকিম
আধা পোৰা কলিজাখন লৈ।
অতীত যদি স্মৃতি হৈ
পলে পলে নামি আহি
বিবৰ্ণ হৃদয়ৰ পাৰ ভাঙি
বোৱাই দিয়ে যদি তপত চকুলো
মচিবলৈ দেখোন
আইৰ আঁচল খনো নাই
কাহানিবাই জহি-খঁহি গ'ল।

নাহিবা অ' অতীত
মোৰ মন মগজুলৈ
যি বাটেৰে গৈছিলা
সেই বাটে উভতি যোৱা;
আধা পোৰা কলিজা খন
আকৌ জ্বলাই নিঃশেষ নকৰিবা।

মই য'ত যেনেকৈ আছো
যি পৰিস্থিতিত থাকি
যি কৰিছোঁ তাতেই সুখী
মই বহুত সুখী
তোমাৰ বাবে কলুষিত
কিন্তু মোৰ বাবে হৃদয়
আজিও নিকা আৰু স্বচ্ছ।

# কাষলৈ চপাই দিয়া নাও

ৰূপালী মহন্ত
দেৰগাঁও

মোৰ চেনেহীৰ লগত বাৰ্তালাপৰ
দিন গণি গণি শেষ হ'ল,
ভঙা মিচিকীয়া হাঁহিৰে এতিয়া
চিনাকি বাট বিচাৰি ফুৰিছোঁ
সময়ে কঙাল কৰা
চিনাকি ঘাটত অচিনা ঢৌৰ
খিলখিল হাঁহিৰ তৃপ্তিৰ সোৱাদ।
ভৰযৌৱনা নদীৰ চাকনৈয়াত
জাঁজৰিবোৰ পকনীয়াই
শৰটোৰ দৰে ওপঙাই আনিছে,
গতি সলোৱা নদীখনে
বেদনাৰ ভাৰখন কান্ধত
ল'বলৈ সবল দুখন
হাতৰ কৰিছে অনুশীলন।
তোমাৰ বুকুৰেদি
কিমানক কৰিলা পাৰ
তাৰ জানো হিচাপ ৰাখিছা?
তথাপি তোমাৰ পাৰঘাট
অচিনা হৈয়ে ৰ'ল
গতিহীন তোমাৰ জীৱন
গতিহীন জীৱনৰ তৰা ফুল হাঁহি
আশাবোৰ হৃদয়ত থাপিলা
এতিয়া বিৰিণা ইকৰাণি কঁহুৱাই
কৰিছে সংঘাত
কিবা হেৰুৱাৰ বেদনাত।
সাউদৰ পুতেকৰ নাঁওখন
টুলংভুটুং হ'ল
তেজীমলালৈ পদুম ফুল অনাৰ সপোনটো নেদেখা
হ'ল
সন্ধিয়াৰ ওলগ জনাবলৈ নীড়মুখী
পক্ষী জাকি মাৰি গ'ল
আমাৱস্যাৰ নিশা তৰাফুলে নাহাঁহে এতিয়া
নিসংগতাক সাৱটি।
নাৱৰ টিঙত ভাবত বিভোৰ
অচিনাকি মায়াৰে
কোননো সেইয়া?
জীৱনৰ ঘাটে ঘাটে
চাকি-তেল-শলিতাৰ
দীপ্ত আশাই পোহৰাই
তুলিলেও
জীৱন জীনা বাসনাত
অশৰীৰী আত্মাৰ কৰুণ বিলাপ শুনিবা
নাৱৰীয়া কাই এতিয়া কাষলৈ
চপাই দিয়া নাও
চপাই দিয়া নাও!!

# আচাৰ বোৰো স্মৃতি

অজয় বৰুৱা
মঙ্গলদৈ, দৰং

মোৰ গৰাকিনীয়ে আচাৰ বনায়,
পৈনত হাতেৰে আটোমটোকাৰিকৈ কাঁচৰ বৈয়ামত,
বগৰী, আম, তেতেলি, কৰদৈ, গোলনেমু, ইত্যাদি ইত্যাদি ...।
আচাৰবোৰ হেনো স্মৃতি
স্মৃতি সদায় সাঁচি ৰাখিব লাগে।
কি কয়?
মোৰ আচাৰ খোৱাৰ হেঁপাহ (লোভ) আৰু বাঢ়ি যায়।
মানুহজনীৰ সময়ৰ নাটনি
তথাপি বনায়,
নিজে নাখায়, অথচ বনায় (ডাক্তৰৰ মানা) ।
মোৰ তৃপ্তি; খোৱাত। মানুহজনীৰ নিপুন হাত ।
আচাৰবোৰ হেনো স্মৃতি (?)
মোৰ কিন্তু সদায় খেলিমেলি,
পিছে বেছি ভাবি মূৰ নঘমাঁও,
খোৱা বস্তু খাওঁ...।
তেওঁবা কি ভাবে (?)
মাজে মাজে কয় সৰাপাতে সামৰি থয় স্মৃতিৰ ঠিকনা।
কিবা খেলিমেলি লাগি যায়,
আচাৰ,স্মৃতি, সৰাপাত, ঠিকনা...।
একদম খেলিমেলি...।
এদিন আজৰিপৰত বগৰীৰ আচাৰ সৰহকৈ খাবলৈ লৈছোঁ ...
'আপুনি আচাৰ ইমান ভাল পায়?'
ভাল পাঁও
তুমি কষ্টৰে বনোৱা, আন্তৰিকতা মিহলাই...
আৰু
কিবা স্মৃতি, সৰাপাত আদিকৈ লোভটো আৰু বঢ়াই দিলা...
অ'হ...

আচলতে পাৰহৈ যোৱা দিন, ঋতু, বছৰ,পাহৰণি
হ'ব দিব নোৱাৰি;
স্মৃতি সাঁচি ৰাখিব লাগে।
স্মৃতিও এবিধ আচাৰ!
(ভালকৈ বুজাই কোৱাদেই, নহ'লে মোৰ প্ৰেচাৰ
বাঢ়ি যাব)
স্মৃতিক আচাৰ কৰি ৰাখি,
দুখৰ দিনত, সুখৰ দিনত,
নিঃসংগতাত, কোলাহলতো অথবা সকলো
সময়ত
সাঁফৰ খুলি নিজৰ সতে কথা কবলৈ ভাল ।
মানুহ বিষন্ন হ'লে,
দুখী বা বেছি সুখী হ'লে
কোলাহলত নিঃশব্দ হ'লে অথবা
ভিৰৰ মাজত নিঃসংগ হ'লে
স্মৃতিৰ সতে কথা কব পাৰি একাত্মতাৰে...।
যেনেদৰে আজৰি সময়ত জুতি লগাই আচাৰৰ
সোৱাদ লব পাৰি...।

কিবা বুজিলোঁ, কিবা নুবুজিলোঁ...
কিন্তু নুবুজিলোঁ ;
তেওঁ বাৰু কি স্মৃতি আচাৰ কৰি খুৱাই আছে
মোক ... ?

# নাৰী তুমি বিভূষিতা

পৰাগ প্ৰিয়ম
তিতাবৰ, যোৰহাট

নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন,
নাৰী অবিহনে পৃথিৱীৰ সকলো অন্তঃসাৰ শূন্য,
নাৰীৰ অবিহনে
নাথাকিব জীৱন অথবা
নাথাকিব কোনো সমাজ।
তথাপি কিয়... ?
নাৰীৰ সবলীকৰণৰ নামত,
নাৰীৰ সুৰক্ষা নামত,
নাৰীৰ নিৰাপত্তাৰ নামত,
আজি সমগ্ৰ দেশতে
ঢাক-ঢোল বজাই ...
ডাঙৰ ডাঙৰ ভাষণ দি কয়
কোনো কোনো মহান লোকে...
হিন্দু ধৰ্মত নাৰীক
দেৱী ৰূপে পূজাও কৰা হয়,
যাৰ কাৰণে গোৱা হয়
"য়া দেবী সৰ্বভূতেষু বিষ্ণুমায়েতি শব্দিতা ।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ'।
তথাপিও কিয় বাৰু
অসম ভূমিৰ অলিয়ে-গলিয়ে চলে
প্ৰতিদিন,প্ৰতিৰাতি
নাৰীৰ যৌন নিৰ্য্যাতন,
নাৰী ধৰ্ষণ,
নাৰী অপহৰণ,ভ্ৰূণ হত্যা, ইত্যাদি ইত্যাদি...।
অৰ্ধআকাশ বুলি পৰিচিত নাৰী জাতিৰ বাবে,
আমি সকলো মিলি-জুলি
নাৰীজাতিৰ ওপৰত হৈ থকা
অন্যায়-অনীতি ৰোধ কৰিব লাগিব,
নহ'লে হয়তো এদিন নাৰীজাতিয়ে দুৰ্গা গোঁসানীৰ ৰূপ ল'ব,
নহ'লে এদিন হয়তো ফাট মেলা বসুমতী পাতালে লুকাও অৱস্থা হ'ব।

# শংকৰদেৱ

পুতুলী ঠাকুৰীয়া মেধী
গুৱাহাটী, কামৰূপ (ম)

জয় গুৰু শংকৰ সৰ্বগুণাকৰ
শতকোটি প্ৰণামোঁ
তোমাৰ চৰণ।
হৰিনাম ধ্বনিৰে জগত জিনিলা;
ক'লা-কৃষ্টি-সংস্কৃতিৰে
জাতিক স্ৰজিলা।

কীৰ্তন, দশম আৰু গুণমালা
সাহিত্য-সংগীত লগতে বৰগীত
ছখন নাট আৰু ছকুৰি বৰগীত
যুগমীয়া কৰি গ'লা
অসমীয়া জাতিক ।

জাতি-বৰ্ণ-ভাষা-ধৰ্ম
সকলোৰে জ্ঞাত
সমস্ত ভূতৰে তুমিয়ে শ্ৰেষ্ঠ;
তুমিয়েই দৈৱকী নন্দন
তুমিয়ে কল্পতৰু
তুমিয়েই যুগনায়ক
পূণ্যভূমিৰ পৰমপুৰুষ
তুমিয়েই ঈশ্বৰ দৰ্শনৰ বাটত জগতৰ গুৰু।

তোমাৰেই একশৰণ
হৰিনামৰ ধ্বনিৰে
জগতৰ ভকত
তুমিয়ে উধাৰিলা ।

# তল সৰা পাত

চুমি ৰহমান
গুৱাহাটী, কামৰূপ (ম)

পদূলি মূৰত গছৰ তলত
ভৰি থাকে মাথোঁ
আম কঠালৰ সৰা পাত।
গছকত ভাঙে জুইত জ্বলে
ঝাড়ুৰ আগত থাকে
সমূলি ধূলিতেই ইয়াৰ ঠাই।
সেউজ ৰঙেই অলংকাৰ
গছৰ সৌন্দৰ্য্য বঢ়াই
ন কইনাৰ ৰূপত সজায়।
সময়ৰ লগত ৰং হেৰাই
সৌন্দৰ্য হেৰায়
সেয়ে আদৰ হেৰায়।
জীৱনৰ ৰঙো তেনেই ক্ষন্তেকীয়া
যৌৱনতেই ইয়াৰ সমাদৰ
বৃদ্ধতাত নাই কোনো আদৰ।
দুদিনীয়া জীৱনৰ ক্ষন্তেকীয়া ৰং
নকৰিবা ৰূপক লৈ অহংকাৰ
গুণক কৰিবা সাদৰ।
বয়স ঢাল খাব, ৰং হেৰাব
যৌৱন বাগৰিব
নাপাবা দুনাই ঘূৰাই।
তল সৰা পাত মিলিব ধূলিত
শৰীৰ মিলিব মাটিত
সকলা ৰূপত অন্ত নিশ্চিত ইয়াৰ
আৰু এয়াই জীৱনৰ সত্য...।

## সপ্তম ভাগ

**সম্পাদনা**

মৌচুমী ৰাজখোৱা



# মাথোঁ এবাৰ

বৰষা গগৈ
মৰাণ, ডিব্ৰুগড়

তোমাক লগ পোৱাৰ আপাহত
তোমাৰ ওভতনি যাত্ৰাৰ
প্ৰতি খোজৰ সন্ধানত
খোজ দিলোঁ

অকোৱা-পকোৱা
জীৱনৰ কোনোবাটো কেঁকুৰিত
কিজানিবা লগ পাওঁ!!

কথা হ'ম দুয়ো
পোৱা-নোপোৱাৰ হিচাপ হ'ব
হৃদয়ৰ...
মোৰ সুখবোৰ হ'ব
তোমাৰ,
তুমি সুখী হোৱাৰ আশাত
পি থ'ম তোমাৰ দুখ...

তুমি যে কৈছিলা,
লগ পালে শুনাব খোজা
তোমাৰ হৃদয়ৰ স্পন্দন
বুকুৰ সেউজেৰে
সজাব খোজা আমাৰ সপোন,
ফাগুনৰ ৰঙেৰে ৰাঙলী হ'ব
দুখনি হিয়া...!!

আশাবোৰক সমাধি দিলোঁ
এতিয়া মাথোঁ বিচাৰোঁ
মাথোঁ এবাৰ শুনাব খোজোঁ
মোৰ হৃদয়ত প্ৰতিধ্বনিত হোৱা
বেসুৰা বীণৰ তান ...

# আঁউসী

পৰিহাৰ শৰ্মা
গুৱাহাটী

যেতিয়া মৰআঁউসী ৰাতিবোৰ নৰখাদকৰ
ৰূপ লয়
তেতিয়াই ফেঁচাটোৱে নিউ নিউ কৈ চিঞঁৰি উঠে।
গাঁৱৰ সিমূৰে হৈ চৈ লাগিছে তাক ধৰ তাক মাৰ ।
জুমি জুমি চোৱা কেইজনমান নাৰদীয়াই কৈ যোৱা শুনিলোঁ
তাই গাভৰু হ'বৰ এবছৰ হৈছিলহে
এতিয়া তাইক কোনে বিয়া পাতিব হে
সি ল'ৰা মানুহ
যিমান দোষ কৰিলেও আনৰ জোঁৱাই হ'বই
পিছে ছোৱালীৰ বাপেক মাক হালে হিয়া ঢাকুৰি কান্দিছে
সমাজত মুখ উলিয়াব নোৱৰাৰ ভয়ত
পুৱতি নিশা নিৰৱতাৰ কোলাত সকলো গভীৰ টোপনিত
উইচিৰিং পোককেইটাৰ কিৰ্ কিৰণিত
তৰাবোৰ সাৰে আছে মাথোঁ
কান্দি কান্দি ভাগৰি পৰা মাকজনীৰ চকুত এতিয়াও দুটোপাল কেঁচা
পানী
তাই খেপিয়াই খেপিয়াই বিচাৰি পাইছে চুটি হৈ অহা উশাহবোৰ
পিছদিনা পুলিচে তদন্ত চলাইছে ওলমি ৰোৱা মৃতদেহ
টিভি পৰ্দাত ব্ৰেকিং নিউজ নিদাৰুণ পাষণ্ডটো পলাতক

# তিনিটা কৱিতা

চাহিদুল ইছলাম

১. উশাহ

উশাহৰ ভৰসাটো
সৰলৰেখাডালত বৈ যাওতে
মই তাৰ চকুলৈ চাব পৰা নাছিলোঁ
সি কেৱল কৈছিল
পানী অলপ দি আহ্।

২. বকুল

সিদিনা দেওবাৰ আছিল
একেই গতানুগতিক
আজিও দেওবাৰ
ঠিক একেই

সিদিনা মাথোঁ কেৱল
বকুলতলত এপাহ বকুল
নীৰৱে সৰি পৰিছিল

৩. প্ৰশ্ন

উশাহৰ নেলু চেপি
ৰাতি ৰাতি তেওঁলোক হতাশাত ভোগে
কেতিয়াবা চিৎকাৰ কৰি উঠে

তেজলগা চোলাৰ বুটামবোৰ চিকুটি চিকুটি
চাফা কৰে
আৰু
মানুহ! মানুহ!
চিঞৰটো কাণত বাজি থাকে
তেওঁলোকে চিৎকাৰ কৰি উঠে

# লখিমী

জিন্টু বৰপূজাৰী
নলবাৰী

জলমল জলমল শব্দৰ পুখুৰীত
টলমল টলমল পানী,
সৰস্বতী বৰণীয়া হাঁহৰ থুঁতৰীত
ডিম্পল পৰা দুগালৰ কাহিনী,
মই ৰোৱা কঠীয়া ছিগি
মেখেলা নবনাবি ,
তাঁত শালত নবহিলেও
মোৰ ঘৰত তোক মাতিবদে
আই লখিমী ।

ধান পকিবৰ হ'লে তই ৰ'দ এসোপামান লৈ আহিবি
হাচটি খুলি বাকি দিবি
বহাগৰ ৰং সনা পিৰীতি।
কবিতাৰ বাবে চোতালত ঢাৰি পাৰি
একেলগে মাতিম দে ,
জোনবাই এ এটি তৰা দিয়া
এটি তৰা নহয়
মোক জোনটোৱে দিয়া....
মোৰ বুকুত আকাশৰ দৰে ভালপোৱা ।।

# ‘য’ত আমি এৰি থৈ আহিলোঁ নিজক’

জ্যোতিনীলিমা গগৈ
ঢকুৱাখনা, লখিমপুৰ

শেষবাৰৰ বাবে আমি য’ত লগ হৈছিলোঁ
এডৰা চেগুনৰ পাতত বিয়পি আছিল
জোনৰ জালিকটা পোহৰ
দীঘল সূতাডালেৰে চিপজৰী টানি
মকৰা এটাই চিৎকাৰ কৰিছিল --
একাকীত্বৰ ভাৰ বিলাসী পোছাকযোৰ সোলোকাই
নথ’বা

কোনো পুৰণি স্বপ্নৰ আৱেশত
পিয়লাত বাকিছিলোঁ হলাহল
এটি কল্পকায়াই কাণৰ কাষত ফুচফুচাইছিল--
কিযে মধুৰতম
কিযে মধুৰতম
এই অহৰ্নিশ আৱাহন...

দুদণ্ডৰ পাশা সামৰি আমি
বিপৰীতমুখী দিনৰ যাত্ৰাপথত
কাটি গ’লো এই কথা--
মোক মোৰ স’তে জীৱলে দিয়া ...

আমি য’ত এৰি থৈ আহিলোঁ নিজক
প্ৰতি বসন্তৰ অন্তত শিলত বুকু আফালি মৰে
এহালি পৰিভ্ৰমী চৰাই

শিলৰ খোৰোঙত সাৰে থাকে বিষন্নতা ..!!

# নিমখীয়া পদ্য

মৌচুমী হাতীবৰুৱা
আমোলাপট্টি, ঢকুৱাখনা, লখিমপুৰ

চাবলৈ গ'লে
নিমখ দামী বস্তুৰ তালিকাত নপৰে
সেৰে প্ৰতি দুটকা দুঅনা মাত্ৰ

সৰহকৈ খালে তেজ পানী হয়
ৰক্তচাপ বাঢ়ে

আঞ্জাত নিমখ বেচিকৈ দিয়াজনী
মুখচোকা তিৰোতা বুলি
জগতে জানে

সস্তীয়া নিমখৰ
চোক বেচি
জিভাত বৰকৈ ডাকে

বইচ নোহোৱা
ব-চেৰা বলধক
নিমখ চেলেকালে
ঘৰ লাগে

গৃহস্থৰ নিমখ চেলেকা বলধে
পাহৰি পেলায়
পাগুলি পাগুলি শেষ নোহোৱা
নৈ-পাৰৰ লকচা ঘাঁহৰ
কোমলীয়া সোৱাদ

বন্য জীৱনৰ স্বাধীনতা
বিদ্ৰোহৰ এৰাল ছিঙা শ্লোগান

কৌৰৱৰ নিমখ খাইছিল বাবে
মহামনিষী ভীষ্মই হেৰুৱাইছিল
বাক-শক্তি

গোঁৱাৰ গান্ধীক
বৃটিছে নিমখ খুৱাব পৰা নাছিল
দুশ চল্লিশ মাইল বাট
খোজেৰে গৈ নিজৰ নিমখকণ
নিজে আনি খাইছিল

দেশখনৰ পো-পোৱালিহঁতক শিকাইছিল
পৰৰ নিমখ খাই
গোলাম নহ'বি বোপাইহঁত
নিজৰ ওচৰত নিজেই স্বাধীন হৈ থাক

সেয়াহে স্বাধীনতা
বুঢ়াৰ কথা বাদ দিয়া
বনিয়াৰ গোলাত
দেশখনেইচোন পণবন্দী এতিয়া

# সেমেকা মেজিৰ গোন্ধ

কাব্যশ্ৰী বৰপাত্ৰ
কাহিলীপাৰা, গুৱাহাটী

উধানত জ্বলি থকা তুঁহ জুইকুৰাত
তপতাই দিয়া আইৰ সেমেকা চাদৰতো মোৰেই গোন্ধ...
খিলিককৈ সৰি পৰা মুদ্ৰাটোৰ স'তে খহি পৰিল
পিতাইৰ বনিয়নটো...
বিহু আহিলে দীঘল হয় সেমেকা সেমেকা গোন্ধবোৰ
মই ৰৈ থাকোঁ নাঙলৰ পাৰত 'পিতাই আজি নাই'
মহাজনৰ কথাবোৰ বুকুত ৰেপি থৈ যায় ...
আইৰ সেমেকা চকুত নুশুকোৱা খৰিৰ চকুলো
পিতাই তই নাহিবি ওলাই ...

# স্পৰ্শ

কৌশিক বাস্যস
নলবাৰী

১.
বিভৎস বুকুতে জনম লয় কবিতাই।
নাড়ী-ভুৰুবোৰ হেঁচুকি দিয়ে।

বতাহেও মুখ ভেঙুচাই
দায়িত্বৰ পৰা পলাই সাৰে।

সুৰবোৰ নোদোকা হৈ আহে।

তাকেই তুলি ধৰোঁ তুলিকাত
নৈসৰ্গিকতাৰ অচিলাৰে।
কাৰেঙৰ অজুহাতত ওলমাই ৰাখোঁ
অতদিনে ময়ে ডাঙৰ কৰিলোঁ তোমাক
আৰু এতিয়া যাবলৈ দিছোঁ
যোৰা, গুচি যোৰা।
চতিয়না ফুলৰ ওপৰেদি
গ্ৰীষ্মৰ গৰম লৈ
বাগৰি আহে
বেলি

২.
অপ্ৰীতিকৰ দালানবোৰ ভমকি উঠে
এটোপাল চকুপানীৰ দৰে
হাউলি পৰে
হা হা, কি বিনাই আছা নিজানত
কাপোৰ-কানি খুলি থৈ আহাঁ
খোৰা বস্তুবোৰ দলিয়াই দিয়া
এয়া সাধাৰণ কথা একদম। ফুচ্‌ফুচনিৰ দৰে।
পৰিষ্কাৰ মুখৰ সন্ধান। অন্তিম চৰণ।
ভয়ংকৰ। সুন্দৰ।
খোৰোঙৰ পৰা ময়েই উদ্ধাৰ কৰিম তোমাক

৩.
গুটিমালি ফুলবিলাকৰ দৰে
দুপৰীয়াটো বাৰ্ণিচ কৰে সময়ে।
হাত দুখন মোৰ যেনি-তেনি গুচি যায়
মনটোৰে গৈ ফেনখন ঘূৰায়
সেইফালে কি ঘটি আছে চকু নিদিওঁ
নঘটা বুলিয়েই ধৰি লওঁ।
আহাঁ ইটাবোৰ আৰু লোহাৰ অন্তৰ
পিচি খোৰা পানী
চাৰনি মোৰ কেৰাহি হৈ আহিছে
ইমান নিথৰ কেনেকৈ হ'ব পাৰে
ইমান নিৰ্বোধ
শিশুবিলাকৰ ডিঙিবিলাক
কেতিয়াবা মুচুৰি দিবলৈ মন যায়
আহাঁ সময় এবাৰ মোকো চুই দিয়া
এঙামুৰি লোৰা মানে
শৰীৰত তোমাৰ
অনুভৱ কৰিলোৰেই
স্পৰ্শ

# তোমাৰ কবিতা পঢ়িলোঁ

নীলিম কুমাৰ
গুৱাহাটী, শিলপুখুৰী

তোমাৰ কবিতা পঢ়িলোঁ
পঢ়ি মই ঠিৰাং কৰিব নোৱাৰিলোঁ
মই হঁহা উচিত নে কন্দা উচিত
তুমি মোক বিমুগ্ধও কৰিলা
শৰবিদ্ধও কৰিলা।
হাঁহিৰ নিজৰা এটিও
বৈ আছিল তোমাৰ কবিতাত
কৰুণ নিজৰা এটিও
বৈ আছিল।
মই ঠিৰাং কৰিব নোৱাৰিলোঁ
তোমাৰ কবিতা পঢ়ি
হঁহা উচিত নে কন্দা উচিত?
দুয়োটা সম্ভাৱনাই আছিল
তোমাৰ কবিতাত
আন্ধাৰতো পঢ়িব পাৰি
পোহৰতো পঢ়িব পাৰি
চকু মুদিও পঢ়িব পাৰি
চকু মেলিও!
কিন্তু কেনেকৈ পঢ়িব পাৰি
তাক ঠিৰাং কৰিব নোৱাৰি
মই এতিয়া টোপনি যাওঁ
নে অনিদ্ৰাত থাকোঁ কবিতা পঢ়ি

মইতো মূৰ্খ পাঠক
কবিতা দেখিলেই পঢ়োঁ
কিন্তু মই যে কবিতা পঢ়োঁ তুমি নাজানা

# অষ্টম ভাগ

## কাৰ্যবাহী সম্পাদক
উৎপল গোস্বামী



# ভাল পোৱাৰ বিনিময়ত

জোনমনি বৰা
সোনাৰী গাওঁ, যোৰহাট

তোমাক ভাল পোৱাৰ বিনিময়ত
তোমাৰ দাসত্বৰ শিকলি ডালে
মিছামিছি বান্ধিবলৈ যত্ন নকৰিবা মোক।

যি মাতৃৰ গৰ্ভতেই আছিলোঁ স্বাধীন, মাতৃ কিম্বা ধায়ে
দিব পৰা নাছিল
ভূমিষ্ঠৰ সঠিক সময়।
ভালপোৱাৰ নামত
শিকলি লগাই দাসত্ব
সজাবলৈ বাৰু তুমি কোন।
কেতিয়া ক'ত কি কৰিব লাগে
সেইয়া মই ভালদৰেই জানোঁ
বন্দীত্বৰ জীৱন মই কামনা নকৰোঁ।
ভাল পোৱাৰ বিনিময়ত
দাসত্ব বন্দীত্ব উপহাৰ দিম বুলি যদি ভাবিছা
তেনেহ'লে তুমি ভুল ভাবিছা।
পানীক সোধাৰ কিবা প্ৰয়োজন
পিয়াহৰ আতুৰতা,
জুইক সুধি লাভ আছে জানো
দহনৰ যন্ত্ৰণা।
মোৰ স্বাধীন সত্তা টোক
পৰাধীন সজাই
পাখি কাটি সজাত
বন্দী কৰিব খোজা
তোমাৰ সস্তিয়া মানসিকতা।
মই ন্যস্তস্বাৰ্থ কৰিম
আমাৰ এই ভালপোৱা
যি ভালপোৱাত
বিনিময় কিম্বা প্ৰতিদান
বিচৰা হয়, তেনে ভালপোৱা
ত্যাগৰ সাহস মোৰ আছে।

# হৃদয়ৰ বিননি

ডিম্পী ডেকা
নলবাৰী

তেওঁৰ পৰা মোলৈ
ভাঁহি অহা ভালপোৱাই
হাৰি যায় বাৰে বাৰে
তেওঁৰ মিছাত নাইবা নিচাত,
তেওঁ জানেই মই আকাশ
কিমান ভালপাওঁ
তেওঁ জানেই মই নীলাক
কিমান বিশ্বাস কৰোঁ
তেওঁ জানে সকলোবোৰ
যিবোৰক জানিবলৈ দিছিলোঁ
মই শেষবাৰলৈ।।
চলনাময়ী প্ৰতিটো
মনৰ খবৰ ৰাখোঁ তেওঁ
নজনাকৈ, নুবুজাকৈ
মোৰ কোনো স্বাৰ্থ নাই
তাত অথবা কিবা পোৱাৰ হেপাঁহো কৰা নাই
মই।।
য'ত মৰমবোৰে ঠাই পায়
তাত বিশ্বাসবোৰে হেৰাই যায়,
য'ত আশাবোৰে ওমলে
তাত মিছাবোৰে ঘৰ সাঁজে
গোপনে।।
কথা নাছিল বিচ্ছেদৰ
নইবা সংগী হৈ নিস্তব্ধতাৰ
মাজত হেৰাই যোৱাৰ,
এনেকুৰা কথা হোৱাই নাছিল
আমাৰ মাজত
যাৰ বাবে হাঁহিব পাহৰিম
নাইবা জীয়াই জীয়াই মৰিম
মৰি শেষ নোহোৱালৈ।।
আকাশ মোৰ আজিও প্ৰিয়
বহু দূৰ বাবেই তাক পোৱাৰ
হেপাঁহ নাই বৰ্তমান।।

# নীলাঞ্জনা

জয়শ্ৰী চক্ৰৱৰ্ত্তী
তিতাবৰ

নীলাঞ্জনা মই তোমাৰ প্ৰেমীক
বহু যুগৰে পৰা...
তোমাৰ চকুৰ লাজুক চাৱনি যেন
মুকুতাৰ তিৰবিৰনি
তোমাৰ লাহী কঁকালৰ ভাঁজত
নাচি উঠে হিয়াখনি...
নীলাঞ্জনা তুমি কোন সৰগৰ পৰী ... !
তোমাৰ খোজৰ প্ৰতিধ্বনি শুনো মই কাণ পাতি
যেন কোনো স্বৰ্গৰ পৰীৰ নাচৰ ধ্বনি... !
নীলাঞ্জনা জানা মই তোমাৰ প্ৰেমত মতলীয়া...
তোমাৰ দীঘল চুলিৰ ভাঁজত হব খোজোঁ
মই সুগন্ধিৰ মালাধাৰি...
নীলাঞ্জনা তোমাৰ নীলা চকুৰ মাজত
আঁকিবানে আমাৰ প্ৰেমৰ ছবিখনি... !
তোমাৰ হৃদয়ৰ স্পন্দনত অনুভৱ কৰানে
মোৰ উপস্থিতি... !
তুমি যে মোৰ সপোন কুঁৱৰী...
পলে অনুপলে দেখোঁ তোমাৰ ছবি.....
লিখি যাওঁ আমাৰ প্ৰেমৰ উজ্জ্বল কাহিনী... !
মিঠা মিঠা ক্ষণবোৰ হৃদয়ত লিখি থ'লোঁ
যিদিনাই তুমি আহি খুলি দিবা মোৰ
হৃদয়ৰ দুৱাৰখনি... !
দেখা পাবা মাথোঁ তোমাৰ ছবি
আমাৰ প্ৰেমৰ কাহিনী...
নীলাঞ্জনা

# প্ৰিয়জন যদি কবি হয়

বুলু বৈশ্য ডেকা
ঢেকিয়াজুলি

প্ৰিয়জন যদি কবি হয় !
মই হম কবিতাৰ মুল উৎস
অনুভৱৰ শীতল পৰশত জয় পৰি
লেতুসেতু মইজনী
শৰতত ফুলা কঁহুৱাৰ দৰে হালিজালি
বসন্তত ফাগুনৰ বা লাগি কমোৱা তুলাৰ দৰে উৰি গৈ
সোমাই পৰিম কবিতাৰ পংক্তিত।
লয়লাস ভংগীমাত শব্দত নাচোন তুলি
কবিতাক তুলি দিম উচ্চ শিখৰত।
প্ৰিয়জন যদি কবি হয় !
দুচকুত আশাৰ ৰেঙণি সানি
সফলতাৰ জখলাত বগুৱাবাই
লিখি যাব হেজাৰটা কবিতা,
য'ত নাথাকিব নোপোৱাৰ দুখ, অপ্ৰাপ্তিৰ যন্ত্ৰণা কিম্বা
পাই হেৰোৱাৰ অসহনীয় বেদনা।
মোৰ প্ৰিয়জন যদি কবি হয়
মই হম কবিতাৰ প্ৰতি শাৰীৰ
একোটা শব্দ, যি শব্দত বান্ধি থব
মোৰ ভালপোৱা, শুভ্ৰ আলিংগন,
নিভাজ প্ৰেমৰ মালিতা।
মনৰ কামনা-বাসনা, মৰম-ভালপোৱা
বান্ধি ৰাখিব কবিতাৰ ভাজত
মন গ'লে জুমি চোৱাৰ দুৰ্বাৰ হেঁপাহত ।
মোৰ প্ৰিয়জন যদি কবি হয়
মদাৰ, শিমলুৰ তেজৰঙা
ফুলপাহ হৈ প্ৰিয়জনৰ আঙুলি
ৰঙেৰে ৰঙাই তুলি
লিখিবলৈ প্ৰেমৰ কবিতা
হৈ ৰম ময়েই প্ৰেৰণা,
বুকুত সেউজীয়া সিঁচি
হৈ ৰম আজন্ম প্ৰেমিকা ।
প্ৰিয়জন যদি কবি হয়... !
কাহানিও নোকোৱা কথাবোৰ
কবিতাৰ ভাঁজত বিচাৰি
হৈ পৰিম মই উন্মনা।

# বিষাদৰ সাগৰ

মাণিক পাল
শিমলীতোলা, গোৱালপাৰা

নিৰল
একাকীত্বই যেতিয়া
দুবাহু মেলি
সপোনৰ বিছনাত
সাপৰ দৰে মেৰিয়াই ধৰে
জৰাজীৰ্ণ মনৰ
স্মৃতিবোৰ
ধাৰাষাৰ বৰষুণ হৈ
হৃদয়খন জীপাল কৰে
দুচকুত ভাহি উঠে
অতীতৰ লীলা
বতাহত উৰি আহে
চিনাকি পাৰ্ফিউমৰ সুবাস।

অতীতৰ মকৰাজালে
মোৰ বৰ্তমান ভৱিষ্যত
অশ্ৰপ হৈ গিলিব বিচাৰে
মায়াৰ বান্ধোনবোৰে
অথিৰ-অবিৰ মনটোক
বিষাদৰ সাগৰত ডুবাব বিচাৰে।

# মুখা

ইমামুল হক
ৰাজাখাট বানেকুছি, নলবাৰী

মোৰ সৈতে চিনাকি হৈ সপোন দেখুৱাইছিলা
দিগন্তৰ পোহৰৰ বাট দেখুওৱাৰ
মই আছিলো তোমাৰ চকুত সৰগৰ পৰী
তুমি মোক কি দিলা
সঁচা ভালপোৱাৰ প্ৰতিদান
তুমিতো অন্তৰতমৰ পৰা সঁচা ভালপোৱাৰ
এনাজৰীৰে বান্ধি ৰাখিব নোৱাৰিলা
নীলপৰুনৰ দৰেই
তুমি যে মোৰ হৃদয়ৰ সৈতে
মিচাতে খেল খেলিলা
পেৰালাইছিচি হৈ শয্যাশায়ী হোৱাত
নিজ মাতৃৰ ঘৰলৈ ওভতাই পঠিয়াই দিলা
মই যেন অচল পইচা হ'লো
পিতৃ মাতৃয়ে জানো পাৰিব...
মোৰ যাবৰে হ'ল উভতি নহাৰ বাটেৰে..

# তোমাৰ স্মৃতি সুঁৱৰি নিলিখোঁ মই

ৰাহুল দাস

আজি আকৌ হাতত কলমটি তুলি লৈছিলোঁ
তোমাৰ স্মৃতি বোৰ সুঁৱৰি দুশাৰী লিখিম বুলি!
লিখিলোঁৱে যেনিবা দুশাৰী
কিবা লাভ হব জানো!
কোনেনো চাব সেইবোৰ
কোনেনো পঢ়িব;
কোনেনো উপলব্ধি কৰিব
মনৰ ভিতৰত দপদপাই জ্বলি থকা
সেই জুইকুৰা!
বৰ কষ্ট হয় জানা বৰ কষ্ট হয়
কোনোবাই যদি সেই লিখনি পঢ়েও
ঠাট্টা কৰিব, হাঁহিব...!
প্ৰেমত পাগল হোৱা বুলি ক'ব!
নিলিখোঁ নিলিখোঁ মই।
আকৌ আনৰ হাঁহিয়াতৰ পাত্ৰ হবৰ মন নাই।
হাতৰ কলমটি টেবুলৰ ওপৰতে তুলি থলোঁ
বন্ধ কৰি দিলোঁ ডায়েৰীৰ খোলা পৃষ্ঠাটি...।
দুচকু সেমেকি গৈছে
বৈ আহিছে দুধাৰী চকুলো
নীৰৱে...
দুচকু হাতেৰে মোহাৰি আকৌ
মুখত হাঁহিৰ প্ৰলেপ টি লগাবলৈ যত্ন কৰিছো...
কাৰণ মই যে এজন পুৰুষ...
পুৰুষে হেনো কান্দিব নাপায়।।

# সময়ৰ আহ্বান

গীতাৰাণী পাঠক দাস
গুৱাহাটী

সৰ্বশক্তিমান সময়ৰ আঙুলিঠাৰত
নাচি আছোঁ তুমি -মই সমস্ত পৃথিৱী ।
সময়ৰ আহ্বানতে সকলো সম্ভৱ ।
সময়ে যদি নিদিয়ে সহাঁৰি
মূৰ খুন্দিয়াই মৰিলেও তুমি
নাপাবা বিচাৰি ।

সেয়েহে সময়লৈ কৰিব
লাগিব অপেক্ষা
সময়ৰ আহ্বান মানিবই লাগিব।
সময়ৰ সোঁতত উটিভাঁহি ফুৰিছোঁ, যিফালে নিছে উটুৱাই
সেইফালে ঢাপলি মেলিছোঁ ,
মানিছোঁ সুসময় আৰু দুঃসময়।

ঋতু আহে ঋতু যায়
ৰথৰ চকৰি ঘুৰে সময়ৰ
ধনীজনো হয় বাটৰ ভিক্ষাৰী,
বাটৰ ভিকহুজনেও হব
পাৰে কেতিয়াবা ৰাজ ৰাজেশ্বৰ।

সেয়া যে সময়ৰে আহ্বান
সপোনবোৰ এদিন পূৰণ হয়,
সীমাহীন ব্যৰ্থতাৰ পিছতো
সফলতাই আহি কপাল চুমে
আশীৰ্বাদৰ ৰং সানি আচম্বিতে
জীৱন ধন্য কৰে।

সময় সৰ্বশক্তিমান
সময়ে উৰুৱাই বিজয়ৰ ধ্বজা
সময়ে কৰে কেতিয়াবা উপলুঙা
ধৈৰ্য্য আৰু সাহসেৰে আগুৱাই গৈ
আজুৰি আনিম হেঁপাহৰ সূৰ্য্য।

ধৈৰ্য্যৰ ফল সদায় মিঠা ।
চফল ডেকাটিৰ চকুৰ জেউতি হৰে ,চুলিত
ৰূপালী ৰং চৰে।
সৰু পোণাটিও চফল ডেকা হৈ
পৃথিৱী জয় কৰে।

এয়া যে সময়ৰ আহ্বান
বাধ্য আমি মানিবলৈ এই প্ৰত্যাহ্বান।
হব পাৰে সেয়া নিষ্ঠুৰ আহ্বান
অথবা সুখৰ সপোন পূৰণ
হোৱাৰ সফলতাৰ মধুৰ ক্ষণ।

**নৱম ভাগ**

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# তুমি এটি মিঠা অনুভৱ

বন্তি দেৱী
তেজপুৰ

তুমি বিহীন প্ৰতিটো উশাহ
মোৰ বাবে এটি এটি যুগ হৈ পৰিছে
তথাপিও ৰৈ আছোঁ তোমাৰ বাবে
তুমি অহা বাটলৈ চাই,
মৰিবও নোৱাৰোঁ
তথাপি জীয়াই আছোঁ তোমাৰ বাবে
তুমি দিয়া বিশ্বাস আৰু মৰম বোৰ
আজি মোৰ বাবে হল সোঁৱৰণী,
তুমি মোক পাহৰিলেও
তোমাৰ মৰম বোৰ মই
সযতনে ৰাখিছোঁ
হৃদয়ৰ এটি নিভৃত কোণত,
তুমি যদিও আছা বহু দূৰত
মোৰ অনুভৱেৰে তোমাক ৰাখিছোঁ সদায়
মোৰ নিচেই কাষত,
যেতিয়া তোমালৈ মনত পৰে
মোৰ হৃদয়ত তোমাক লৈ কৰা
অনুভৱ বোৰে
কোলাহল সৃষ্টি কৰে,,
তুমি মোৰ বাবে হৃদয়ৰ
এটি মিঠা অনুভূতি হৈ ৰোৱা
তুমি...
মাথোঁ মোৰ বাবে ...

# সৰ্প

দুলাল বৰা
সামৰিখোৰা, বিশ্বনাথ

সিহঁত একোডাল বিষাক্ত সৰ্প, গিলিছে
এফালৰ পৰা সমাজ, দেশৰ অমূল্য ৰত্ন
এৰিছে বিষ্ঠা ৰূপে যত পাৰে কলংক
হয় যদি হওক সকলোৰে মনবোৰ বিভৎস।

সিহঁতবোৰ শিক্ষিত সৰ্প
গিলিছেও শিক্ষিত বেঙৰ চক্ৰ
কাৰণ বেঙৰ যে হেৰাই
সৰ্পৰ মুখ দেখি নিজস্ব কণ্ঠ।

সৰ্পবোৰে বাস নকৰে
এতিয়া হাবি জংঘল অথবা মাটিৰ তলত
সিহঁতে এতিয়া বাস কৰে
মনুষ্যৰ হৃদয়ৰ নিভাঁজ কোণত।

এই সৰ্পবোৰ এতিয়া
একো একোটা বিখ্যাত ৰজা
কুণ্ডলি পকাই
বহিছে ফেঁট তুলি
তলত সহস্ৰ প্ৰজা।

আস্ফালন কৰিছে এতিয়া
পাৰে মানে যত যি খাম-খোয়ালীৰ
কলুষতাৰে ভৰপূৰ
দুগন্ধৰ বলিয়ালীৰ মলয়া বা।

এই বাৰ পাকত পৰি
যায় যদি যাওক জাহ
সহস্ৰ সভ্যতাৰ সোণৰ খুঁটা।

নাই কোনো ভ্ৰূক্ষেপ
মাথো লগে এই সৰ্পবোৰক
একচ্ছত্ৰীৰ হিংসাত্মক ডোলাখনি
যাতে কৰিব পাৰে জগতৰ
বুকুত ড্ৰেজাৰ হৈ খনন
নিকৰুণ ভাৱনাৰ বীজবোৰ অংকুৰণ কৰায়।

# সপোন সপোন লাগে

কনমনি নাথ
ভৱানীপুৰ বি'ব্লক, বাক্সা

স্বপ্নময় আশা মোৰ
হেঙুলী ডাৱৰ ভাঙি,
মুক্তভাৱে উৰিবৰ মন
ডেউকা লগাই চৰাইৰ দৰে।
উদাসীন মোৰ কল্পনা,
সুৱাস লবৰ মন
সুগন্ধিময় ফুলৰ গোন্ধ
বাস্তবিক অবিৰত মোৰ হেঁপাহ,
সংগী বিহীন উৰণীয়া পক্ষী মই।
মন গলে ডেউকা লগাই উৰি যাওঁ
দূৰ দিগন্তৰ সিপাৰলৈ,
পৰিভ্ৰমী চৰাই জাকৰ সৈতে
মনৰ কথা পাতো,
বুজিবলৈ প্ৰয়াস কৰোঁ।
মন মোৰ আকৃষ্ট কৰি
আবদ্ধ কৰি ৰাখে,
নিজকে বিচাৰি চাওঁ ক'ত হেৰাই গ'লোঁ
স্বতঃস্ফূৰ্ত বৰ্হি প্ৰকাশ হয়
মনৰ জাগ্ৰত উন্মাদনা,
উশাহ-নিশাহত সুপ্ত হিমচেঁচা বতাহ জাকে
শিহৰিত কৰি তোলে।
ছলনাময় মনে চুই চাব খোজে
সূৰুযৰ ৰক্তিম পোহৰ।
জিলমিল তৰা
আঁকোৱালি লবৰ মন
সপ্নময় আশা মোৰ
হেঙুলী ডাৱৰ ভাঙি
অফুৰন্ত বাধা নেওচি
লক্ষ্য বাটত খোজ কাঢ়ি
জীৱনৰ সঠিক উত্তৰণৰ ফিৰিঙতি বিচাৰি চাওঁ।

# দুৰ্দান্ত প্ৰেমিক মই

অমিয় নাথ
গহপুৰ, বিশ্বনাথ

লুইতৰ বালিচৰত মোৰ প্ৰেম
বালিচন্দাৰ ৰূপত জিলিকি উঠা
চিক্ মিক্ ৰূপালী তুমি
শিলত ঠেকা খাই অহা
খৰস্ৰোতা নদীৰ গৰ্ভত
মোৰ কবিতাৰ প্ৰেম-
সাত সাগৰ তেৰ নদীৰ পাৰত
মাজুলীৰ ঐনিতমৰ উচুপনিত
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি যোৱা
মনৰ আৱেগত প্ৰেম...
উৰলি যোৱা দুখীয়াৰ পঁজা ঘৰৰ
বৈ অহা বাৰিষাৰ প্ৰৱাল সোঁতত
এৰি ন"গল জীৱনৰ বেলিকা
পুহ মাহৰ ফূট পাথত শুই থকা
আপোচবিহীন মানুহৰ লগত
মোৰ কবিতাৰ প্ৰেম...
কলং কপিলী দুয়ো বাই ভনী
এচেৰেঙা ৰ'দত পাগলাদিয়া সোৱণশিৰি
হব দুয়ো যাযাবৰী
একত্ৰিত কৰি লুইত খাৰলুত কৰিম প্ৰেম...
শৰতৰ শেৱালীৰ সুৱাসত
নন্দন বনৰ আঁৰত
নাচি উঠা ৰজনীগন্ধাত মোৰ প্ৰেম
ফটা চোলা আৰু কামিজৰ
সন্ধানত পিয়াপি দি ফুৰা
শব্দৰ মালাৰে বুজাব নোৱাৰা
শেঁতা পৰা চকুৰ ৰক্তিমত
দুচকুৰে বৈ অহা অশ্ৰুত
মোৰ কবিতাৰ প্ৰেম...
যোড়শী গাভৰুৰ প্ৰেমত নুবুজা শব্দ
লুটিয়াই চাওঁ অভিধান
ৰিব্ ৰিব্ মলয়া বতাহ জাকত
উৎকণ্ঠা মোৰ প্ৰেমৰ সন্ধান
কাব্যিক দিশেৰ লিখিলোঁ মই
বৰা জহা একেই ধান ।
মোৰ যাত্ৰাত শুকুলা ঘোঁৰাৰ দৰে
শব্দৰে কৰি যাম বৰ্ণমালা
কৃষ্ণাঙ্গৰ দেশত কবিতা ৰচিম
প্ৰকৃতিৰ বেশত নামি আহিম
কোনে দিব প্ৰকৃতিৰ ৰম্যভূমিত
এচেৰেঙা ৰ'দ সিঁচিবলৈ
আজি যেন দুৰ্দান্ত প্ৰেমিক মই
শব্দৰ অভিধান চাবলৈ ।

# জীৱন এনেকৈয়ে ...

নীলাঞ্জনা পাচনি
চিনামৰা, যোৰহাট

এনেকৈয়ে
সময়বোৰ পাৰ হৈ যায়
অজানিতে , নিৰৱধি
চকুৰ পলকতে সৰকি যায়
দিন-মাহ -বছৰ
শৈশৱৰ সপোনে হেলান দি ৰয়,
খিৰিকীৰ চৌকাঠত
জিলমিলীয়া হাঁহিৰে দুপৰীয়াৰ বিষণ্ণতাক
আলফুলে চুই যায়...
দুহাত মেলি লব খোজোঁ একাঁজলি সুখ
তপ্ত হৃদয়ে কঢ়িয়ায়
এযুৰি কপৌৰ ৰুণ
আৰু
এমুঠি সোনোৱালী দুখ।
মোৰ শীতল শৰীৰত উষ্ণ জীৱনৰ ব'তাহ
মোৰ উশাহত ভালপোৱাৰ উমান
ইচ্ছাৰ ভিতৰতে আকউ ইচ্ছাবোৰক জগাই তুলিছোঁ
মই সজাই লৈছোঁ সময় ,
ভাৱনাৰ ঢৌৰ স'তে উমলি -জামলি
মূক যন্ত্ৰনাৰ অনিঃশেষ পলবোৰত
মই নিজকে সৰল কৰি তুলিছোঁ
সপোনৰ ছয়া-ময়া আৱেশত
তোমাকেই বিচাৰি ফুৰিছোঁ
মোক এধানি মৰম দিবানে ?
বিনিময়ত মোৰ জীৱন দিম চিৰকাললৈ।
দুখ নহ'লে বুজিব নোৱাৰি সুখ
দুখ ন'হলে নিৰ্মাণ কৰিব নোৱাৰি জীৱন
প্ৰেম নহ'লে যি দৰে শৰীৰ
অনাদৃত হৈ থাকে বাউলী বসন্তত।।

# অপেক্ষা

পূৰবী দেৱী
চৰাইবাহী, মৰিগাঁও

তুমি গুছি গ'লা
শেৱালী ফুলাৰ বাটেৰে
দূবৰিৰ দলিচা গচকি।
মই আছোঁ ৰৈ
তোমাৰ অপেক্ষাত
জীৱনৰ সৰাপাত বুটলি

ভাবিছিলোঁ বহু কথা
ৰচিছিলোঁ বহু সপোন
লগ পালে কম বুলি তোমাকে
ভালপোৱাৰ অভিনয় কৰি
মিছা প্ৰতিশ্ৰুতি দি
কিয় আহিছিলা মোৰ জীৱনলে?

নালাগে আহিব আৰু
মোৰ জীৱনলে
মিছা মৰমেৰে হিয়াখন ভাঙিবলে
থাকিব পাৰিম মই
অকলশৰে এন্ধাৰক সাবটি
অপেক্ষা মাথোঁ পোহৰ হোৱালে

# আজি মোৰ মৃত্যু হ'ব

দিব্যজ্যোতি কলিতা
প্ৰথম ষাণ্মাসিক, গুৱাহাটী বিশ্ববিদ্যালয়

আজি মোৰ মৃত্যু হ'ব পাৰে।
হয়তো আপোনাৰো।
মোৰ মৃত্যুক আপুনি দেখা নাই
অথচ আপোনাৰ দৰেই ময়ো
ছাঁটোৰ সৈতেই কঢ়িয়াই ফুৰিছোঁ মোৰ মৃত্যুক।
সেয়ে, আজি মোৰ মৃত্যু হ'ব পাৰে।
কেতিয়াবা আপোনাৰ বাবে মৃত্যু
ৰৈ থাকিব পাৰে ঠিক পদূলি মূৰত
যিদৰে জীৱনৰ প্ৰথমটো ইণ্টাৰভিউ দি আহোঁতে
জেওৰাত দুহাতৰ ভেজা দি
ৰৈ আছিল আপোনাৰ মা।

কিমান বৈপৰীত্য নহয় নে?
সেয়ে আজি আপোনাৰো মৃত্যু হ'ব পাৰে।

মোৰ মৃত্যু নহ'বও পাৰে মানুহৰ দৰে।
অথচ, আপোনাৰ মৃত্যুত ক্ষন্তেকলৈও স্তব্ধ হ'ব পাৰে
ৰাজপথ, পদপথ অথবা মন-মগজু সকলোৰে।
অৰ্ধনমিত হ'ব পাৰে দেশৰ পতাকা।
কাৰণ ইতিমধ্যেই মৃত্যু হ'ব আপোনাৰ।

নিয়ৰত পিছল পদূলি পাৰ হওঁতে
হয়তো নকঁপিব মৃত্যুৰ দুভৰি
মৃত্যু হ'ব আপোনাৰ অথবা মোৰ অথবা দুয়োৰে।
সেয়াই যদি সত্য
তেনহ'লে আজিয়েই নোহোৱাৰ কথা ক'ত?

# মা মাতাল কিয় ?

ৰজনী কান্ত দাস
ৰাণী, কামৰূপ অসম

হেঁপাহৰ এটি সন্ধিয়া
মোৰ চকুলোৰে দুগাল তিয়াই
হেজাৰটা হাতুৰীৰ আঘাতত
ক্ষত বিক্ষত হৃদয়েৰে
তাৰকাখচিত আকাশলৈ চাই
চিঞৰি উঠিছিলো সেইদিনা
মা মাতাল কিয় ? ? ?

আকাশে অট্টহাস্য কৰি কৈছিল
চাৰিটি সন্তানৰ পেটৰ ক্ষুধা
নিবাৰণ কৰি মা আজি ভাগৰুৱা
এমুঠি অন্ন, এখনি কাপোৰ
কোন সতেনো আনি দিয়ে
এই ক্লান্ত শ্ৰান্ত দেহাৰে ?
সেইবাবে মা আজি মাতাল

# চাকনৈয়া

পৰাগ দাস
ৰাণী, কামৰূপ

কবিতা কবিতা লগা কথাবোৰ
কৰবাত যেন হেৰাই থাকিল
যান্ত্ৰিকতাৰ পৃথিৱীখনত,
এতিয়া যেন অনুভূতিবোৰ
Googleত হে বিচাৰি পোৱা যায়।
তুমিও তো ব্যস্ত আজি
Facebook, what's app, Instagram
কিম্বা Twitterত,
কিদৰে জনাওঁ বাৰু
শীতৰ সন্ধিয়াৰ আৱেগসনা অনুভূতিবোৰ
সাৰে থাকিব নে মাদকতাবোৰ
Digital পৃথিৱীৰ এই মায়াজালত
নে !
নিব আৰু চিয়াঁহীৰ দৰেই
এদিন বিচাৰিম আমি
মৰম নামৰ আবেগসনা শব্দৰ জোলোঙাখন,
য'ত থুপাই ৰাখিম আমি
ঠুনুকা হৃদয়ৰ কমনীয়তাবোৰ।

# মই পোহৰতো দেখিছোঁ এন্ধাৰ

সুশীল মালী
গোহাঁইহাট , মিৰ্জা কামৰূপ

মই পোহৰতো দেখিছোঁ এন্ধাৰ
দৃষ্টি হীনতকৈয়ো দৃষ্টিহীন মই
শিক্ষাৰ জখলাত বগাই
সুউচ্চ শৃঙ্গত মই
পদুমৰ সুৰভি বিচাৰি
হাবাথুৰি খাইছোঁ ।

হে শাসনৰ বাঘ জৰি ধৰোতা সকল
মই তোমালোককে সুধিছোঁ
কিয় শিক্ষাৰ জখলাত বগাই
পোহৰতো এন্ধাৰ দেখিছোঁ

ঐক্য সংহতি আৰু প্ৰগতিৰ
চিন্তা চেতনাৰে উদ্বুদ্ধ
সমাজৰ আজিয়ো
একাংশ মানুহ
পোহৰৰ মাজত থাকিয়ো
এন্ধাৰত কিয়

বিষন্ন মনে আজি লিখিব নে
গোমা নীল আকাশৰ অৰ্থহীন লিপি
বেদনাৰে ভৰপক জীৱনত
যিয়ে জোনাকৰব খোজে তেওঁ কাৰ চক্ৰান্তত
ফটোগ্ৰাফাৰৰ প্ৰখৰ দৃষ্টিত আজি এন্ধাৰৰ মাজত
মন থুনুক-থানাক কৰি
কেবল মনৰ মাজত লুকাই থাকে

জীৱনৰ প্ৰতিটো খোজৰ ৰাচঁ টানি ধৰে পোহৰ
বিলাবলৈ বিচৰাজনক
তাৰ বাবে হয়টো প্ৰেমৰ জ্যোতিত যতি পৰে
সেয়ে পোহৰতো দেখোঁ এন্ধাৰ
হে ক্ষমতাত অধিষ্ঠিত সকল
তোমালোক যদি সাৰে আছা
নীল আকাশত
নক্ষত্ৰৰ জ্যোতি বিলাই দিয়া
যি নক্ষত্ৰই বিলাব পাৰে
সদায়ে পোহৰ
নিৰাকাৰ মানেই এন্ধাৰ বুলি মই ভাবো
এন্ধাৰ মানেই শূন্য
জ্ঞান মানেই শক্তি
তেন্তে পোহৰতো কিয় খেপিয়াই ফুৰিছোঁ
কিয় জ্ঞানৰ অলংকাৰ পিন্ধি
এন্ধাৰত ককবকাই ফুৰিছোঁ
কিয় পোহাৰতো আজি এন্ধাৰ দেখিছোঁ

**দশম ভাগ**

**সম্পাদনা**

ব্ৰজেন কাকতি



# পিঞ্জৰাবদ্ধ

মালবিকা শৰ্মা
ভুবনেশ্বৰ

যুগৰ পিছত যুগ ধৰি
পিঞ্জৰাবদ্ধ আত্মা মোৰ,
পিঞ্জৰাতেই আবদ্ধ সকলো সুখ-দুখ... !
আবেগ-অনুভূতি-অনুভৱ যত
পিঞ্জৰাৰ ভিতৰতেই বন্দী চব,
যুগৰ পিছত যুগ ধৰি
বন্দী হৈ থকা
সেয়াই মোৰ নিৰাপদস্থলী।

পিঞ্জৰাবন্ধ হৈ থকা মোৰ সত্তা...
স্বস্তিবোৰ যাৰ ভিতৰত বন্দী হৈ থাকে
পিঞ্জৰাৰ মুখ খুলি দিলেও
বাহিৰলৈ ওলাবলৈ অসমৰ্থ ।
মই নিজেই ভাল পাওঁ
বন্দী হৈ সেই বাবেই...
যুগৰ পিছত যুগ ধৰি
পিঞ্জৰাই মোৰ নিৰাপদস্থলী।

# ট্ৰিলাজ

তুলিকা দেৱী
গুৱাহাটী

(১)

অন্ধকাৰত অৱগাহন কৰা
ল'ৰাটোৰ সৈতে
সিদিনা হঠাতে মুখামুখি হ'লোঁ।
মই সুধিলো,
'তোৰ এতিয়া প্ৰয়োজন কিহৰ?'
সি উত্তৰ দিলে,
'এন্ধাৰ ধুই নিয়া এজাক বৰষুণৰ'।

(২)

কিচকিচিয়া ক'লা সাপটোৰ গাত
শুধ বগা ফোঁট
অন্ধকাৰত এটি শিখাৰ দৰে,
হতাশাৰ মাজত
এফেৰী আশাৰ চানেকী
দিনবোৰ সজাই থোৱা
যেন এটি আশাবাদী কবিতা!

(৩)

তুমি যে কৈছিলা
নিৰৱতাৰ ছবি আঁকিবা,
সেই ছবি চাবলৈ
মই ব্যাকুল হৈ ৰৈ আছোঁ।
এক কোমল পুৱা,
চৰাইৰ কল্লোল ভাঁহি অহা দিশে
হাত মেলি খেপিয়াও প্ৰত্যুষৰ ঊষা।

# হৃদয়ৰ অভিব্যক্তি

বিতুমণি ফুকন
ডিব্রুগড়

ঘৰ এটা সাজিও সাজিব নোৱাৰিলোঁ
সাজিব খোজোতেই খুলি গ'ল সপোনৰ বান্ধ...
দোষ ক'ত আছিল ?
উত্তৰ বিচাৰি পৰিত্যক্ত হৈ পৰি ৰ'ল
মোৰ অস্তিত্ব
মোৰ উশাহ
মোৰ আধৰুৱা কলিজাৰ নিদ্ৰা!
দাগ এটা লাগিছিল
যিদিনা বিবেকৰ শলিতাত জ্বলা নাছিল চাকিগছ,
কুটি কুটি নিঃশেষ কৰা মোৰ অপৈণত সৃষ্টিত ঘূণে ধৰিছিল;
নিষ্ঠুৰ সময়ৰ তাগিদাত ক্ষত বিক্ষত দেহৰ ৰক্তক্ষৰণত
জ্বলিছিল একুৰা অনিৰ্বাপিত অগনি;
য'ত আজিও দহি দহি মৰোঁ মই ।
নিতাল ৰাতিত চাৰিবেৰৰ মাজত
ঠেকচা খাই মোৰ অন্তৰাত্মাৰ বিননি!!
মই মোক শেষ কৰাৰ বাবে
প্ৰয়োজন আছিল সাহসৰ অদম্য ইচ্ছা...
কিন্তু সাহস ক'ত ?
প্ৰতিবাদী কণ্ঠ নোহোৱা হোৱাৰ বাবেই
কঢ়িয়াই লৈ ফুৰোঁ সদায় অপবাদৰ এমুঠি বোজা।
ধুমুহা এজাক আজি আকৌ বলিল
দি গ'ল এটি দাগ, কলংক, অপবাদ,
কেনেকৈ নিজেই নিজক ঘিণাব পাৰে মানুহে
খঙৰ অন্তৰালত কেনেকৈ কৰিব পাৰে
নিজৰেই ভালপোৱাক কুঠাৰঘাত?
প্ৰতিবাদী নহওঁ মই
কিন্তু ধৈৰ্য হেৰোৱা অৱলাও নহয়
সুখে চুব নোৱৰিলেও
দুখক আকোঁৱালি আত্মহত্যা কৰা দুৰ্বলো নহয়...!!
এটা কথা জানি থওক..
নিজকে বহুত ভাল পাওঁ বাবেই
পৃথিৱীখন মোৰ বাবে সুন্দৰ..।
আপোনাৰ ভালপোৱাবোৰ
নিসন্দেহে মোৰ বাবে সেয়া প্ৰাৰ্থনা...!
প্ৰতি পলতে কঢ়িয়াই লৈ ফুৰা সেয়া জীৱন
নহয়...!
আপুনিও প্ৰতিদিনে মন্দিৰলৈ নাযায়
তেন্তে মোক অপমান কৰি কিয় বাৰু সুখ
পায় ?
এইয়া আপোনাৰ সুখৰ সমল নেকি..?
যদি হয় অপমান কৰি আপুনি সুখী হওক,
আৰু সহ্য কৰি সাহস আৰু ধৈৰ্যৰে আগুৱাই
যাম মই..।

# এন্ধাৰ

মনিকা দেৱী
নিউ গুৱাহাটী

এন্ধাৰবোৰ এতিয়া
মোৰ বৰ প্ৰিয়
আৰু
নিসংগতা মোৰ চিৰলগৰী।
পোহৰলৈ আজিকালি
বৰ ভয় লাগে,
জানোচা কোনোবাই
মোৰ হাঁহিৰ অন্তৰালত থকা
দুখৰ পৃথিৱীখনত
খোজেই পেলায় আৰু
সহানুভূতিৰে যদি
পুতৌ কৰিবলৈ লয়..।
মোক যদি মোৰ পৰা
আতঁৰাই লৈ যায়..
সেইবাবে
এন্ধাৰেই ভাল জানা
এন্ধাৰত
শৰতৰ নিয়ৰ যেন
টোপ টোপ চকুলোবোৰ
অনুমতি অবিহনেই নিগমে
আৰু
হৃদয়ৰ সাঁচতীয়া দুখবোৰে
এখিলা এখিলাকৈ পাত লুটিয়াই
মোক মোৰেই সৈতে
চিনাকি কৰাই দিয়ে।

# উৰণীয়া পক্ষী

প্ৰতিভা বৰ্মন
নলবাৰী

কলিজাটো কৰফাল খাই
সৰি পৰিল
মধ্যাকাশৰ পৰা ।

মুক্ত বিহঙ্গৰ দৰে
তাইৰো উৰাৰ বৰ হেঁপাহ আছিল..।

হেঁপাহ আছিল মেঘৰ মোহনাত উঠি
চিঞৰি চিঞৰি গাবলৈ
সুখী হোৱাৰ অমোঘ মন্ত্ৰ ।

প্ৰত্যাশিত আশাবোৰক নিৰাশাৰ চোলা পিন্ধাই
শিখৰৰ পৰা নামি আহিল তাই;

বিন্দু বিন্দু কথাৰে গঁঠা শিকলিডাল
ঠেং দাঙি পাৰ হৈ গ'ল সময়
এতিয়া সময় নিৰৱ, বিষাদ..।

মাথোঁ ঠেকা খাই ঠেকা খাই
হৃদয়ৰ একুৰীয়ামত প্ৰতিধ্বনিত হয়
জীৱনে গোৱা কবিতাৰ কোনো সোণোৱালী
পংক্তি..।

বাঢ়েটোকা জনীয়ে
নৈৰ গড়াত বহি
লুটিয়াই চাই,
পাৰ হৈ যোৱা দিনৰ সোঁৱৰণী..।

# অৱধূত

ৰাজেন শৰ্মা
মনাহকুছি, হাজো

কলিজাৰ ওপৰেৰে বাগৰি গৈছে
এটা প্ৰকাণ্ড শিল,
কামিহাড় ভাঙি থৈ
শুৱাই দিলে পাহাৰৰ দাঁতিত।
মেলানি মাগি
সুৰুযো আঁতৰি গ'ল,
শাৰী পাতি এন্ধাৰেও
আৱৰি পেলালে
দেখাবোৰক নেদেখা কৰি।
গোজৰণি শুনিছোঁ
হিংস্ৰ জন্তুবোৰৰ..
শকতিও নাই উঠিবলৈ
সহায়ো নাই
সংশয়ে আৱৰি ৰাখিছে,
এনে লাগিছে
কোনোবাই যেন ভক্ষণ কৰিব
উদাৰ পূৰাই...
ক্ষত-বিক্ষত মোৰ দেহা
কাৰ দুখ কোনে বুজিব,
কাৰোৰে যে আহৰি নাই
অৱধূত মই
যেন আকলি...।

# কুঠাৰ

তীৰ্থমণি ডেকা
কমলপুৰ,কামৰূপ

সত্য যুগতেই ...
পৰশুৰামৰ হাতত চিহ্নিত হৈছিল মহাপাপৰ
কুঠাৰখন ।
সাধুকথাৰ সোণালী সময়ত...
বাঘৰ বাৰীত পিঠাৰ বিনিময়ত কুঠাৰেৰে
খৰিকটীয়াই কাটিছিল খৰি।
নৈত কুঠাৰখন পৰাৰ আগলৈকে ঠিকেই
আছিল
জলপৰীয়ে প্ৰথমতে ভুল কৰিছিল...
কুঠাৰখনক
ৰূপৰ কুঠাৰ, সোণৰ কুঠাৰলৈ সলনি কৰি।
তাৰ পিছৰ পৰাই কুঠাৰ খনৰ প্ৰতি মানুহৰ
লোভ
নিজৰ হাঁওফাঁওক নিঃকিন কৰিবলৈ
অৰণ্যত মৰা প্ৰতিটো কুঠাৰৰ শব্দই
অট্টহাস্য কৰিছিল।
আজি.....
সকলোতে মাথোঁ অথন্তৰ।
কাৰণ একেবাৰে পৰিষ্কাৰ
সকলোৰে বেজীৰ জলঙা মনে
কুঠাৰৰ জলঙা নমনে।

# জৰুৰী নহয়

ৰুমী মেধি
নলবাৰী

জৰুৰী নহয়
মোৰ প্ৰণয়ৰ প্ৰতিখিলা পাতেই যে তেওঁ
বুটলি ল'ব আলফুলে,
কলিজাত তুলিকা তিয়াই আঁকি
ল'ব স্মৃতিৰ তাজমহল...

জৰুৰী নহয়
উশাহৰ ছটফটনিত
মোৰ মোবাইলৰ স্ক্ৰীণত
ভাঁহি উঠিব তেওঁৰ ফোন নম্বৰটো
কিম্বা মেচেজ...
বুকুৰ বিষবোৰ বৈ
আঁচল গধুৰ কৰাতো
একেবাৰেই অনৰ্থক...
হয়..ব্যস্ত তেওঁ... ভীষণ ব্যস্ত।

জৰুৰী নহয়
মই বিচৰাৰ দৰেই ভৰুণ
কৰি ৰাখিব তেওঁ প্ৰতিপল
মোৰ বুকুৰ পথাৰ সেউজীয়াৰে,
মোৰ অভিমানৰ কোঁহ ভাঙি
বোৱাই আনিব আকাশীগংগা।
জৰুৰী নহয়
মই আকুলতাৰে
আঁটি আঁটি সযতনে বন্ধা
অনুভৱবোৰ খুলি মেৰিয়াই ল'ব
একেই মাদকতাৰে তেওঁ উশাহত...
মুঠেও জৰুৰী নহয় এইবোৰ।
জৰুৰী হয়
বুজাবুজিৰ তুলাচনীত
মোৰ ওজন বেছি হোৱাটো।
মোৰ তথাকথিত অনিয়ন্ত্ৰিত
আবেগৰ ঢৌ ভেটিবলৈ
মন মগজুৰ সংগ্ৰামত
উত্তীৰ্ণ হোৱাটো অধিক জৰুৰী।

অংকৰ পৰীক্ষাত সদায়
কম নম্বৰ পোৱা মই
এতিয়া 'কম্প্ৰমাইজ' আৰু
'চেক্ৰিফাইজ'ৰ গাণিতিক গণনাত
জিলিকাব পাৰোঁ সৰ্বোচ্চ ডিগ্ৰী ।
খোকোজা নলগাকৈ...
হৃদয়ৰ কুঁহিপাতৰ আঁৰত
ধোঁৱাবৰণীয়া কাহিনীৰ ভগ্নাংশ
লুটিয়াই পঢ়াতো জৰুৰী নহয়...
জৰুৰী নহয়
জৰুৰী নহয়।।

## সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’ এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ’ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ’ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ’ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com